

VESTIGE™
wish you wellth

# মোৰ সাফল্যৰ পৰিকল্পনা

ASSAMESE

VESTIGE™

wish you wellth

## ভেষ্টিজ পৰিয়াললৈ স্বাগতম জনাইছো



গৌতম বালি
মেনেজিং ডাইৰেক্টৰ

প্ৰিয় ডিষ্ট্ৰিবিউটৰ,

অভিনন্দন! ভেষ্টিজৰ দ্বাৰা প্ৰদান কৰা সুযোগ গ্ৰহণ কৰি আপুনি এটা বিস্ময়কৰ বৃত্তি গঢ়াৰ বাবে সঠিক পথ বাছি লৈছে। ডাইৰেক্ট চেলিঙৰ মাধ্যমেৰে উদ্যমিতাৰ বিশ্বখনত নিজৰ বাবে যথাযোগ্য স্থান বিচাৰি ল'বলৈ বিচৰাসকলৰ মাজলৈ আপোনাক স্বাগতম জনাইছো।

ভেষ্টিজৰ এজন স্বতন্ত্ৰ ডিষ্ট্ৰিবিউটৰৰ বৃত্তি লোৱাৰ দ্বাৰা আপুনি আচলতে নিজৰ ভাগ্য গঢ় দিবলৈ আৰু সাফল্য ভৰা মজবুত আৰু স্বতন্ত্ৰ ভৱিষ্যতৰ ভেঁটি গঢ়ি তুলিবলৈ আৰম্ভ কৰিলে, যিটো আপুনি অধ্যৱসায় আৰু কঠোৰ পৰিশ্ৰমৰ দ্বাৰা অৰ্জন কৰিব পাৰিব। আপুনি ভেষ্টিজ ছিষ্টেমৰ সফলতাৰ জখলতাত যিমানেই আৰোহণ কৰিবলৈ চেষ্টা চলাব, সিমানেই আন মানুহকো আপুনি অনুপ্ৰাণিত কৰিব আৰু আপুনি আনৰ বাবে এজন পথ প্ৰদৰ্শক তথা নেতা হৈ উঠিব। ভেষ্টিজত আপোনাক আমি কেৱল আন এটা জীৱিকাৰ উৎসই প্ৰদান নকৰো, আমি আপোনাক সন্মান অৰ্জন কৰিবলৈ আৰু আনৰ বাবে আপোনাক অনুকৰণীয় ব্যক্তি হৈ উঠিবলৈ সক্ষম কৰোঁ।

### ভেষ্টিজৰ পৃথিৱীখন

বিকাশ, বিস্তাৰ লাভৰ আগ্ৰহেৰে ভৰপূৰ আৰু ভাৰতীয় তথা আন্তৰ্জাতিক ডাইৰেক্ট চেলিং উদ্যোগত নিজৰ বিশিষ্টতা প্ৰাপ্তিৰ বাবে, ভেষ্টিজে 2004 চনৰ পৰা যাত্ৰা আৰম্ভ কৰিছে, যেতিয়া কোম্পানী প্ৰতিস্থাপন হৈছিল। বিস্তৃত প্ৰ'ডাক্ট আৰু ব্ৰেণ্ডৰ সম্ভাৰেৰে, ভেষ্টিজে সকলো বয়সৰ লোকৰ বাবে 360° টা ৱেলনেচ ক'ভাৰেজ প্ৰদান কৰে আৰু তেওঁলোকক গুণমান সম্পন্ন জীৱন যাপনৰ বাবে সমৰ্থ কৰে। উচ্চ কাৰ্যকাৰীতা সম্পন্ন স্বাস্থ্য সম্পূৰক, ব্যক্তিগত পৰিচৰ্যাৰ সামগ্ৰী, ৰঙীন প্ৰসাধন সামগ্ৰী, পুৰুষৰ গ্ৰুমিং সামগ্ৰী, ঘৰুৱা যতনৰ প্ৰ'ডাক্ট ইত্যাদিৰ ওপৰত ভেষ্টিজৰ গৱেষণা আৰু বিকাশৰ ক্ষেত্ৰত গভীৰ অভিজ্ঞতা আছে।


ভেষ্টিজ এটা ISO 9001:2015 প্ৰমাণপত্ৰ ধাৰী প্ৰতিষ্ঠান; ইয়াৰ নিৰ্মাতা সংগী হ'ল গুড মেনুফেকচাৰিং প্ৰেক্টিচেচ (GMP) আৰু হালাল প্ৰমাণিত কোম্পানী। উৎপাদনশীলতা, গুণমান, উদ্ভাৱন আৰু পৰিচালনৰ ক্ষেত্ৰত ইনষ্টিটিউট অফ ইকোনোমিক ষ্টাডিজৰ (IES) দ্বাৰা ভেষ্টিজ উৎকৰ্ষতাৰ প্ৰমাণ পত্ৰ প্ৰাপ্ত। ভেষ্টিজ ইণ্ডিয়ান ডাইৰেক্ট চেলিং এচোছিয়েচন (IDSA), হেল্‌থ ফুড এণ্ড ডায়েটেৰী চাপ্লিমেণ্টচ এচোছিয়েচনৰ (HADSA) দৰে সন্মানীয় সংস্থাসমূহৰ সদস্য আৰু ভাৰতৰ উদ্যোগ আৰু বাণিজ্য পৰিসংঘ FICCI-ৰ সৈতে গৌৰৱেৰে জড়িত হৈ আছে।

ভেষ্টিজৰ সাফল্যৰ প্ৰমাণ এয়াই যে প্ৰতিবছৰে কোম্পানীটো বহুগুণে বৃদ্ধি হৈ আছে আৰু অসংখ্য লোকৰ বাবে সম্পদ বিস্তাৰ কৰি সাফল্য অৰ্জনৰ পথ মুকলি কৰিছে। বিস্তৃত শাখা কাৰ্যালয়, ৱেৰহাউছ, অন্তৰ্জাতিক কাৰ্যালয়, ডিষ্ট্ৰিক্ট লেভেল কণ্টেক্ট পইণ্টচ (DLCP), মিনি DLCP, ডিষ্ট্ৰিবিউটৰ কনচাটিং পইণ্ট (DCC) আৰু নিষ্ঠাবান গ্ৰাহক-কেন্দ্ৰিক মানৱশক্তিৰে সজ্জিত ভেষ্টিজে আপোনাক আৰু লাখ লাখ অন্যান্য ডিষ্ট্ৰিবিউটৰক প্ৰতিদিনে উৎকৃষ্টমানৰ পণ্য আৰু ব্যতিক্ৰমী সেৱা আগবঢ়াবলৈ প্ৰচেষ্টা চলাই আছে। সুন্দৰভাৱে তৈয়াৰ কৰা শিক্ষা প্ৰণালীৰ দ্বাৰা মানুহক সফলতাৰ দিশত আগুৱাই নিবলৈ, ভেষ্টিজে আপোনাৰ দৰে ডিষ্ট্ৰিবিউটৰক অহৰহ প্ৰশিক্ষিত কৰিবলৈ গোটেই বছৰটো হেজাৰ হেজাৰ প্ৰশিক্ষণ কাৰ্যসূচী পৰিচালনা কৰি আহিছে।

এই চাকচেছ প্লেনৰ পৰৱৰ্তী পৃষ্ঠাবোৰত, ভেষ্টিজে আগবঢ়োৱা অনন্য আৰু বলিষ্ঠ জীৱিকা বিকাশৰ পৰিকল্পনাবোৰ বৰ্ণনা কৰিম। ভেষ্টিজে আগবঢ়োৱা প্ৰতিশ্ৰুতিবোৰ বাস্তৱসন্মত আৰু অৰ্জনযোগ্য, যদি আপুনি শক্তিশালী বন্ধন আৰু সম্পৰ্ক সৃষ্টি কৰিবলৈ উদ্যমেৰে কাম কৰে আৰু প্ৰণালীটো সততাৰে অনুসৰণ কৰি আনক সফলতা অৰ্জনৰ বাবে সৰল কৰি তোলে।

ভেষ্টিজৰ মূল তাৎপৰ্যবোৰ হ'ল বিকাশ, সততা, স্বশাসন, আবেগ আৰু অংগীকাৰ, অনুকূলন ক্ষমতা আৰু গ্ৰাহক- কেন্দ্ৰিক হোৱা। মূল তাৎপৰ্যবোৰ আৰু তাৰ লগতে সফলতা, ইতিবাচক মনোভাৱ আৰু অধ্যৱসায়ৰ প্ৰতি আপোনাৰ আগ্ৰহে এক দুৰ্দান্ত অংশীদাৰত্ব গঢ়ি তুলিব। এই অংশীদাৰত্বই আমাক একেলগে সফলতাৰ শিখৰত আৰোহণ কৰিবলৈ সক্ষম কৰিব।

আপোনাৰ সাফল্য আমাৰ সাফল্যৰ সৈতে সহাৱস্থান কৰে।



গৌতম বালি

# ভেষ্টিজ ভাৰতবৰ্ষত ডাইৰেক্ট চেলিঙৰ বিপ্লৱত গুৰুত্বপূৰ্ণ ভূমিকা লোৱাসকলৰ দ্বাৰা পৰিচালিত হয়।



এক অগ্ৰণী ডাইৰেক্ট চেলিং প্ৰতিষ্ঠান হোৱাৰ অভিযানত বলিষ্ঠ মনোনিৱেশৰ সৈতে আমাৰ ডিষ্ট্ৰিবিউটৰসকলক সুস্থতা আৰু সমৃদ্ধিৰ সৈতে এক উন্নততৰ জীৱন যাপনৰ বাবে শক্তিশালী কৰি তুলিবলৈ, ভাৰতীয় ডাইৰেক্ট চেলিং উদ্যোগৰ নেতৃস্থানীয় পেচাদাৰসকলক লৈ ভেষ্টিজে এক শক্তিশালী দল গঢ়ি তুলিছে।

"মোষ্ট এডমায়াৰ্ড ব্ৰেণ্ডচ এণ্ড লিডাৰ্চ -এচিয়া" পুৰস্কাৰেৰে বিভূষিত ভেষ্টিজ ডাইৰেক্ট চেলিং উদ্যোগ পুৰোধা আৰু দূৰদৃষ্টিসম্পন্ন ব্যক্তিসকলৰ দ্বাৰা চালিত।

**গৌতম বালি** - মেনেজিং ডাইৰেক্টৰ - বিভিন্ন ডাইৰেক্ট চেলিং কোম্পানীত কেবাদশকো চিইঅ' (CEO) আৰু উপদেষ্টা হিচাপে কাম কৰাৰ পাছত শ্ৰী বালিয়ে ভেষ্টিজৰ লাইখুটা স্থাপন কৰে আৰু তেওঁৰ অসাধাৰণ অভিজ্ঞতা আৰু ব্যৱসায়িক দক্ষতাৰে সফলতাৰে নেতৃত্ব বহন কৰি আহিছে। তেওঁৰ দূৰদৰ্শিতাসম্পন্ন নেতৃত্বত ভেষ্টিজে প্ৰতি বছতে দ্ৰুত গতিত আগবাঢ়ি গৈ আছে আৰু এক শীৰ্ষস্থানীয় ডাইৰেক্ট চেলিং কোম্পানী হিচাপে ভাৰতত প্ৰতিস্থিত হৈছে।

**কানৱাৰ বীৰ সিং** - ডাইৰেক্টৰ - ডাইৰেক্ট চেলিং উদ্যাগৰ কেবাবছৰৰো IT চল্যুচনৰ অভিজ্ঞতা সম্পন্ন কানৱাৰ বীৰ সিং এ, জটিল ব্যৱসায়িক প্ৰক্ৰিয়াসমূহ তথ্য প্ৰযুক্তি চল্যুচনৰ সৈতে একত্ৰিত কৰি আৰু ডিজিটেল সৰলীকৰণৰ মাধ্যমেৰে দুৰ্দান্ত ৰূপান্তৰ ঘটাইছে।

## সাফল্য লাভ আৰু সম্পদ বিস্তাৰ কৰি আপোনাৰ উদ্যোগ গঢ়াৰ বাবে এখন সুন্দৰকৈ তৈয়াৰ কৰা মঞ্চ।

**দীপক চুড** - ডাইৰেক্টৰ - এজন বিশিষ্ট চেলচ, মাৰ্কেটিং আৰু অপাৰেচন পেচাদাৰ আৰু এজন প্ৰখ্যাত অনুপ্ৰেৰণাদায়ক ব্যক্তি, দীপক চুডে বিভিন্ন ডাইৰেক্ট চেলিং কোম্পানীত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰি আহিছে। তেওঁৰ পুণৰুদ্যমী নেতৃত্বদানৰ দক্ষতাৰ দ্বাৰা তেওঁ ভেষ্টিজৰ বোৰ্ডত নিৰবিচ্ছিন্নভাৱে নতুন নতুন ধাৰণাৰ সৃষ্টি কৰি আহিছে আৰু তেওঁৰ বিশেষভাৱে প্ৰস্তুত কৰা প্ৰশিক্ষণ কাৰ্যসূচীৰে প্ৰতিবছৰে হাজাৰ হাজাৰ ডাইৰেক্ট চেলিং পেচাদাৰীক প্ৰশিক্ষণ প্ৰদান কৰি আহিছে।

এই তিনিজন বিশিষ্ট ব্যক্তিৰ বাহিৰেও, ভেষ্টিজত অভিজ্ঞ পেচাদাৰৰ এটা দল আছে যিসকলে কেবাদশকৰো সমৃদ্ধ অভিজ্ঞতা আৰু বিভিন্ন ক্ষেত্ৰ আৰু উদ্যোগৰ দুৰ্দান্ত কৰ্ম সংস্কৃতিৰ দ্বাৰা প্ৰতিদিনে ভেষ্টিজৰ বৃদ্ধিৰ বাবে অহৰহ কাম কৰি আছে, যাতে আপোনাৰ উদ্যোগটোৱে কোনো বাধা বিঘিনিৰ সন্মুখীন নোহোৱাকৈ আগবাঢ়ি যাব পাৰে।

ভেষ্টিজ স্থাপন কৰা হৈছিল ডাইৰেক্ট চেলিং পেচাদাৰ সকলক এখন উৎকৃষ্ট মঞ্চ প্ৰদানৰ উদ্দেশ্যে। ভেষ্টিজে মানুহক সুন্দৰ সুযোগ আৰু উৎকৃষ্ট প্ৰ'ডাক্টৰ মাধ্যমেৰে সাফল্য লাভ কৰাৰ বাবে শক্তিশালী কৰি তোলে, যিটো সঁচাকৈ এক লাভজনক অভিজ্ঞতা হৈ পৰে।

এই দূৰদৰ্শিতাসম্পন্ন পৰিচালন কৰ্তৃপক্ষ, অধ্যৱসায়ী কৰ্মীদলৰ অনন্য সংযোজনৰ দ্বাৰা ভেষ্টিজে আপোনাক আৰ্থিক স্থিৰতা, দীৰ্ঘম্যাদী অংশীদাৰত্ব আৰু আপোনাৰ উদ্যোগিক প্ৰচেষ্টাৰ বাবে বিজয়ৰ সুযোগ প্ৰদান কৰে।

**ভেষ্টিজৰ এই চৰ্চাবোৰ ডাইৰেক্ট চেলিং উদ্যোগৰ বাবে দ্ৰুত মাইলৰ খুঁটি স্বৰূপ হৈ আহিছে।**

## মাৰ্কেটিং প্লেন

যাত্ৰাৰ আৰম্ভণিৰ আগতে, আমি লক্ষ্য আৰু আমাৰ যাত্ৰা পথ সম্বন্ধে অৱগত হ'ব লাগিব। যদি আমি লক্ষ্য আৰু যাত্ৰা পথ সম্বন্ধে ভালদৰে অৱগত হওঁ তেন্তে আমাৰ যাত্ৰা কেৱল মসৃণেই নহ'ব, বৰং আমাৰ আত্মবিশ্বাসৰ মাত্ৰাও শীৰ্ষতম হ'ব।

এইটোৱেই একমাত্ৰ কাৰণ যাৰ বাবে ভেষ্টিজে গুৰুত্ব প্ৰদান কৰে যাতে এজন স্বতন্ত্ৰ ভেষ্টিজ ডিষ্ট্ৰিবিউটৰ হিচাপে স্বাক্ষৰ কৰাৰ পাছত আপুনি বিপণন পৰিকল্পনা ভালদৰে অধ্যয়ন কৰি ভেষ্টিজৰ যাত্ৰা পথ সম্বন্ধে ভালদৰে অৱগত হওক আৰু যাত্ৰা পথত আপুনি লাভ কৰিব পৰা সুযোগবোৰ সম্বন্ধে বুজি পাওক। যদি আপুনি এয়া সঠিকভাৱে কৰে, তেন্তে নিশ্চিত থাকক যে, ভেষ্টিজৰ সৈতে আপোনাৰ যাত্ৰাপথ মসৃণ আৰু সাফল্য ভৰা হ'ব।

এজন উদ্যোগী হিচাপে ভেষ্টিজ ছিষ্টেমত সাফল্য অৰ্জনৰ বাবে প্ৰয়োজনীয় চাৰিটা উপাদান তলত দিয়া হ'ল:

- ভেষ্টিজ প্ৰ'ডাক্টৰ নিয়মীয়া ব্যৱহাৰকাৰী হওক
- প্ৰ'ডাক্ট ভাগ-বতৰা কৰি উপাৰ্জন কৰক
- ব্যৱসায় ভাগ-বতৰা কৰি নিজকে সমৃদ্ধিশালী কৰি তোলক
- আনক সমৃদ্ধিশালী কৰাৰ দ্বাৰা নিজকো সমৃদ্ধিশালী কৰক

আপুনি যদি সততাৰে ছিষ্টেমটো অনুসৰণ কৰে আৰু চূড়ান্ত নিষ্ঠাৰে সৈতে কঠোৰ শ্ৰম কৰে, আপুনি দেখিব যে আপোনাৰ প্ৰচেষ্টাই আনুপাতিকভাৱে উপাৰ্জন বৃদ্ধি কৰিবলৈ সক্ষম হৈছে।

ভেষ্টিজে আপোনাৰ ব্যৱসায় বৃদ্ধিৰ বাবে আপুনি কৰা অক্লান্ত পৰিশ্ৰমৰ লাভজনক বোনাচ আগবঢ়ায়। ভেষ্টিজৰ বিপণন পৰিকল্পনা সমান ব্যৱসায়িক সুযোগ প্ৰদানৰ উদ্দেশ্যে নিৰ্দিষ্টভাৱে প্ৰস্তুত কৰা হৈছে; এয়া এক ক্ৰমবৰ্দ্ধমান পৰিকল্পনা, য'ত আপুনি বৰ্তমানৰ লেভেলৰ পৰা তললৈ নাহে কিন্তু সাফল্যৰ জখলাত ওপৰলৈ উঠি যায়।

1. উপভোগ্য সামগ্ৰীৰ ক্ষেত্ৰত সঞ্চয় – 10 – 20%
2. এক্যুমুলেট পাৰফমেন্স বোনাচ – 5 - 20%
3. ডাইৰেক্টৰ বোনাচ – 14%
4. লিডাৰশ্বিপ অ'ভাৰৰাইডিং বোনাচ – 15%
5. ট্ৰেভল ফাণ্ড – 3%
6. কাৰ ফাণ্ড – 5%
7. হাউছ ফাণ্ড – 3%

## উপভোগ্য সামগ্ৰীৰ ক্ষেত্ৰত সঞ্চয় 10-20%

এজন ডিষ্ট্ৰিবিউটৰ হিচাপে, MRP আৰু ডিষ্ট্ৰিবিউটৰৰ মূল্যৰ মাজৰ পাৰ্থক্য হিচাপে আপুনি এই পৰিমাণটো চেভিং কৰে। বেছিভাগ প্ৰ'ডাক্টৰ ক্ষেত্ৰতেই ভেষ্টিজে 20% পৰ্যন্ত চেভিং প্ৰদান কৰে।

নিম্নলিখিত উদাহৰণটোৰ দ্বাৰা চেভিং ব্যাখ্যা কৰাত সহায়ক হ'ব।

ডিষ্ট্ৰিবিউটৰৰ মূল্য + চেভিং = MRP

100 টকা + 20 টকা = 120

এমাহত, যদি আপুনি ভেষ্টিজৰ প্ৰ'ডাক্ট নিজৰ ভোগৰ বাবে 10,000 টকাৰ কিনে আপুনি নিজৰ বাবে 2000 টকা চেভিং কৰে

## এক্যুমুলেট পাৰফমেন্স বোনাচ 5-20%

পাৰদৰ্শিতা বোনাচ পাবলৈ এজন ডিষ্ট্ৰিবিউটৰে যোগ্যতা অৰ্জন কৰিব লাগিব আৰু যোগ্যতাৰ লেভেল অনুযায়ী বোনাচ উপাৰ্জন কৰিবলৈ যোগ্য হ'ব। ভেষ্টিজে খুব লাভজনক পাৰদৰ্শিতা বোনাচ আগবঢ়ায়, যিবোৰ ডাইৰেক্ট চেলিঙৰ ক্ষেত্ৰত বিশ্বৰ ভিতৰতেই উৎকৃষ্ট। এই পাৰদৰ্শিতা বোনাচ অৰ্জন কৰিবলৈ, যোগ্যতাৰ লেভেলৰ পইণ্ট ভেল্যু (PV) জমা কৰিব লাগিব।

**এক্যুমুলেটিভ পাৰ্ফৰমেন্স বোনাচ (APB) অনুসূচী — 5-20%**

| পাৰ্ফৰমেন্স বোনাচ লেভেল | এক্যুমুলেটিভ PV | | % প্ৰতিটো |
|---|---|---|---|
| | সৰ্বনিম্ন | সৰ্বাধিক | |
| ডিষ্ট্ৰিবিউটৰ | 1 | 500 | 5 |
| ডিষ্ট্ৰিবিউটৰ | 501 | 2,000 | 8 |
| ডিষ্ট্ৰিবিউটৰ | 2,001 | 4,500 | 11 |
| চিনিয়ৰ ডিষ্ট্ৰিবিউটৰ | 4,501 | 7,500 | 14 |
| এচিষ্টেণ্ট ডাইৰেক্টৰ | 7,501 | 10,000 | 17 |
| ব্ৰোঞ্জ ডাইৰেক্টৰ | 10,001+ | | 20 |

কোনো এটা মাহত পাৰদৰ্শিতাৰ বোনাচ পাবলৈ, বিতৰকসকলে সেই মাহটোত তলত উল্লেখিত মূল্যৰ (বিতৰকৰ মূল্যত) ব্যক্তিগত ক্ৰয় কৰাটো বাঞ্ছনীয়ঃ

a) বিতৰকসকল যি 17% পেআউট পৰ্যন্ত অৰ্জন কৰে - 20 PV
b) বিতৰকসকল যি 20% পেআউট অৰ্জন কৰে - 40 PV

কোনো কাৰণত যদি এজন বিতৰকে ব্যক্তিগত ক্ৰয় কৰাত ব্যৰ্থ হয়, তেন্তে সেইটো মাহত অৰ্জন কৰা বোনাচ পিছত দিয়া হয় আৰু বিতৰকে যেতিয়া প্ৰয়োজনীয় পৰিমাণৰ ব্যক্তিগত ক্ৰয় কৰিব তেতিয়া সেইটো মাহত সেই বোনাচ মুকলি কৰি দিয়া হয়।

**ফাৰ্ষ্ট ষ্টাৰ্ট 8%**

যদি এজন ডিষ্ট্ৰিবিউটৰে এটা মাহত 8% লেভেলত উপনীত হোৱাৰ আগতে 282 GPV কৰে, তেন্তে তেওঁক এক বিশেষ গ্ৰোথ আৰু 8% লেভেল মঞ্জুৰ কৰা হয়। যদি এজন যোগ্য ডিষ্ট্ৰিবিউটৰৰ ডাউনলাইনেও ফাৰ্ষ্ট ষ্টাৰ্ট 8%-ৰ বাবে যোগ্য হয়, তেন্তে আপলাইন ডিষ্ট্ৰিবিউটৰে অন্যান্য লাইনৰ পৰা 282 ব্যক্তিগত PV বজাই ৰাখিব লাগিব।

**তলত দিয়া উদাহৰণটো 1 : 18 অনুপাতৰ PV : BV-ৰ বাবে আৰু ভাৰতীয় টকাত পৰিশোধ কৰাৰ বাবে। অন্যান্য দেশত PV: BV-ৰ হাৰ বেলেগ বেলেগ হ'ব পাৰে। সকলো দেশৰ বোনাচ পেআউটবোৰ যথাযথ PV: BV অনুযায়ী গণনা কৰা হ'ব।**

## উদাহৰণ 1

আপুনি এই পাৰদৰ্শিতা বোনাচবোৰ কেনেদৰে গণনা কৰিব? তলত দিয়া উদাহৰণটোৰে গণনাবোৰ কেৱল PV-ত হে ব্যাখ্যা কৰিব।

ধৰি লোৱা হ'ল যে আপুনি যোগদান কৰাৰ 1[ম] মাহত আপুনি আপোনাক 3 জন বন্ধুক ডাউনলাইন ডিষ্ট্ৰিবিউটৰ হিচাপে পৃষ্ঠপোষকতা কৰিলে।

| | |
|---|---|
| আপোনাৰ ব্যক্তিগত **PV** | 300 |
| আপোনাৰ ডাউনলাইন **A**-ৰ PV হ'ল | 250 |
| আপোনাৰ ডাউনলাইন **B**-ৰ PV হ'ল | 900 |
| আপোনাৰ ডাউনলাইন **C**-ৰ PV হ'ল | 900 |
| আপোনাৰ গ্ৰুপ পইণ্ট ভেল্যু (GPV) | 2,350 |

আপোনাৰ গোটেটো 11% পাৰদৰ্শিতা বোনাচৰ বাবে যোগ্য = 2,350 X 11% = 258.5 টকা X 18 = 4653 টকা


4,653 টকা আপোনাৰ ডাউনলাইনৰ মাজত তেওঁলোকে অৰ্জন কৰা লেভেল অনুযায়ী ভাগ কৰি দিয়া হ'ব।

5%-ৰ বাবে যোগ্য A-এ পাব 250 X 5% = 12.5 X 18 = 225 টকা

8%-ৰ বাবে যোগ্য B-এ পাব 900 X 8% = 72 X 18 = 1,296 টকা

8%-ৰ বাবে যোগ্য C-এ পাব 900 X 8% = 72 X 18 = 1,296 টকা

**2,817 টকা আপোনাৰ ডাউনলাইনৰ মাজত ভগাই দিয়া হ'ব আৰু অৱশিষ্ট 1,836 টকা আপোনাৰ মাহটোৰ উপাৰ্জন।**




## উদাহৰণ 2

ধৰি লোৱা হ'ল মাহ 2-ত আপুনি আৰু আপোনাৰ ডাউনলাইনে নিম্নলিখিত ব্যৱসায় কৰিলে:

| | |
|---|---|
| আপোনাৰ ব্যক্তিগত **PV** | 300 |
| আপোনাৰ ডাউনলাইন **A**-ৰ PV হ'ল | 260 |
| আপোনাৰ ডাউনলাইন **B**-ৰ PV হ'ল | 1200 |
| আপোনাৰ ডাউনলাইন **C**-ৰ PV হ'ল | 1200 |
| আপোনাৰ গ্ৰুপ পইণ্ট ভেল্যু (GPV) | 2,960 |
| **আপোনাৰ অন্তিম মাহৰ গ্ৰুপ পইণ্ট ভেল্যু (GPV)** | **2,350** |
| **আপোনাৰ ক্যুমুলেটিভ GPV** | **5,310** |

**আপোনাক পইণ্ট ভেল্যুৰ (PV) ওপৰত পৰিশোধ কৰা হয় যিটো আপুনি চলিত মাহটোত অৰ্জন কৰিছিল, অৱশ্যে আগৰ মাহৰ PV লেভেল নিৰ্ণয় কৰিবলৈ যোগ কৰা হয়।**

আপোনাৰ গোটেটো 14% পাৰদৰ্শিতা বোনাচৰ বাবে যোগ্য = 2,960 X 14% = 414.40 টকা X 18 = 7459.2 টকা। 7459.20 টকা আপোনাৰ ডাউনলাইনৰ মাজত তেওঁলোকে অৰ্জন কৰা লেভেল অনুযায়ী ভাগ কৰি দিয়া হ'ব। আহক চাও আপোনাৰ ডাউনলাইনে কেনেকৈ তেওঁলোকৰ বোনাচবোৰ উপাৰ্জন কৰে:

**ডিষ্ট্ৰিবিউটৰ A**

| | |
|---|---|
| অন্তিম মাহৰ PV | 250 |
| এই মাহৰ PV | 260 |
| ক্যুমুলেটিভ PV | 510 |

**A এতিয়া এই মাহৰ PV-ৰ 8%-ৰ বাবে যোগ্য হৈছে আৰু তেওঁ পাব 260 x 8% = 20.80**
**20.80 x 18 = 374.40 টকা**

**ডিষ্ট্ৰিবিউটৰ C**

| | |
|---|---|
| অন্তিম মাহৰ PV | 900 |
| এই মাহৰ PV | 1200 |
| ক্যুমুলেটিভ PV | 2100 |


**ডিষ্ট্ৰিবিউটৰ B**

| | |
|---|---|
| অন্তিম মাহৰ PV | 900 |
| এই মাহৰ PV | 1200 |
| ক্যুমুলেটিভ PV | 2100 |

**B এতিয়া এই মাহৰ PV-ৰ 11%-ৰ বাবে যোগ্য হৈছে আৰু তেওঁ পাব 1200 x 11% = 132**
**132 x 18 = 2376 টকা**

**C এতিয়া এই মাহৰ PV-ৰ 11%-ৰ বাবে যোগ্য হৈছে আৰু তেওঁ পাব 1200 x 11% = 132**
**132 x 18 = 2376 টকা**

**5,126.4 টকা আপোনাৰ ডাউনলাইনৰ মাজত ভগাই দিয়া হ'ব আৰু অৱশিষ্ট 2,332.8 টকা আপোনাৰ মাহটোৰ উপাৰ্জন।**




এই ধৰণে আপোনাৰ পইণ্ট ভেল্যু মাহৰ পাছত মাহ ধৰি হৈ থাকে। ভেষ্টিজত প্ৰত্যেকেই সঞ্চালকৰ ব্ৰোঞ্জ ডাইৰেক্টৰ লেভেললৈ উন্নীত হ'ব পাৰে আৰু আমাৰ লেভেলবোৰ স্থায়ী।

ওপৰৰ উদাহৰণবোৰ গাণিতিক বৰ্ণনাৰ বাবেহে মাত্ৰ। পাৰদৰ্শিতা বোনাচবোৰ কেৱল ব্যক্তিগত লক্ষ্য পূৰণ কৰিলেহে পৰিশোধ কৰা হয়।



## ডাইৰেক্টৰ বোনাচ (DB) 14%

ভেষ্টিজে কোম্পানীৰ মাহিলি PV -ৰ 14%,ডাইৰেক্টৰ বোনাচ (DB) হিচাপে পৰিশোধ কৰে। যোগ্যসকলে উপাৰ্জন কৰা ডাইৰেক্টৰ বোনাচৰ আধাৰত এইটো “পইণ্ট শ্বেয়াৰিং ছিষ্টেম” অনুযায়ী গণনা কৰা হয়। DB পইণ্টৰ মান প্ৰতি মাহে তাৰতম্য হয় আৰু মাহিলি হিচাপত তলত দেখুওৱা সূত্ৰ অনুযায়ী গণনা কৰা হয়:

$$\frac{\text{কোম্পানীৰ মাহিলি PV-ৰ 14\%}}{\text{মুঠ সংগ্ৰহিত DB পইণ্ট}} = \text{DB পইণ্টৰ ভেল্যু}$$

এই উদাহৰণে কেনেকৈ ডাইৰেক্টৰ বোনাচ পইণ্ট (DB) গণনা কৰে সেয়া দেখুৱায়। অনুগ্ৰহ কৰি মন কৰিব যে ব্যৱসায়ৰ আয়তনৰ আধাৰত এই আন্দাজ আৰু প্ৰকৃত উপাৰ্জন বেলেগ হ’ব পাৰে।

| স্থিতি | যোগ্য ডাইৰেক্টৰ | যোগ্যতাৰ চৰ্ত | যোগ্য ডাইৰেক্টৰ লেভেলৰ % | | | | | | | | | |
|---|---|---|---|---|---|---|---|---|---|---|---|---|
| | | | আপুনি | 1 | 2 | 3 | 4 | 5 | 6 | 7 | 8 | 9 |
| ব্ৰোঞ্জ ডাইৰেক্টৰ | - | SP 40 PV: 2001 PV | 6 | | | | | | | | | |
| চিলভাৰ ডাইৰেক্টৰ | 1 | SP 40 PV:1801 PV | 6 | 5 | 4 | | | | | | | |
| গোল্ড ডাইৰেক্টৰ | 2 | SP 40 PV:1501 PV | 6 | 5 | 4 | 3 | | | | | | |
| ষ্টাৰ ডাইৰেক্টৰ | 3 | SP 40 PV:1001 PV | 6 | 5 | 4 | 3 | 2 | | | | | |
| ডায়মণ্ড ডাইৰেক্টৰ | 4 | SP 40 PV: 501 PV | 6 | 5 | 4 | 3 | 2 | 1 | | | | |
| ক্ৰাউন ডাইৰেক্টৰ | 6 | SP 40 PV | 6 | 5 | 4 | 3 | 2 | 1 | .5 | | | |
| ইউনিভাৰ্চেল ক্ৰাউন ডাইৰেক্টৰ | 8 | SP 40 PV | 6 | 5 | 4 | 3 | 2 | 1 | .5 | .5 | | |
| ডাবল ক্ৰাউন ডাইৰেক্টৰ | 12 | SP 40 PV | 6 | 5 | 4 | 3 | 2 | 1 | .5 | .5 | .5 | |
| ডাবল ইউনিভাৰ্চেল ক্ৰাউন ডাইৰেক্টৰ | 16 | SP 40 PV | 6 | 5 | 4 | 3 | 2 | 1 | .5 | .5 | .5 | .5 |

ধৰি লোৱা হ’ল যে আপোনাৰ A এজন ডাউনলাইন আৰু তেওঁ আন এজন ডাউনলাইন B-ক স্পন্সৰ কৰিছে।
ডাউনলাইন B-য়ে 10,001-ৰ PGPV কৰিলে
আপুনি আৰু আপোনাৰ ডাউনলাইন A-ৰ প্ৰত্যেকৰে এটা নিৰ্দিষ্ট মাহত 2,001-ৰ PGPV আছে।

| | | | |
|---|---|---|---|
| আপুনি | নিজৰ ক্ৰয় (SP) 40PV | **2,001 PGPV** | 6% = 120.06 পইণ্ট |
| A | নিজৰ ক্ৰয় (SP) 40PV | **2,001 PGPV** | 5% = 100.05 পইণ্ট |
| B | নিজৰ ক্ৰয় (SP) 40PV | **10,001 PGPV** | 4% = 400.04 পইণ্ট |

PGPV-ৰ অৰ্থ হ’ল পাৰ্চোনেল গ্ৰুপ পইণ্ট ভেল্যু। ইয়াত 20% ডাউনলাইনৰ পইণ্ট ভেল্যু অন্তৰ্ভুক্ত নহয়।

এজন যোগ্য চিলভাৰ ডাইৰেক্টৰ হিচাপে আপুনি তলত দেখুওৱাৰ দৰে ডাইৰেক্টৰ বোনাচৰ বাবে যোগ্য হ’ব:

| | | | | |
|---|---|---|---|---|
| PGPV-ৰ ওপৰত 6% | = | 2,001 X 6% | = | 120.06 পইণ্ট |
| ডাইৰেক্টৰ A-ৰ PGPV-ৰ ওপৰত 5% | = | 2,001 X 5% | = | 100.05 পইণ্ট |
| ডাইৰেক্টৰ B-ৰ PGPV-ৰ ওপৰত 4% | = | 10,001 X 4% | = | 400.04 পইণ্ট |
| মুঠ সংগ্ৰহিত পইণ্ট | = | 120.06 + 100.05 + 400.04 | = | 620.15 পইণ্ট |

ধৰা হ’ল যে কোম্পানীৰ মাহটোৰ 14 % পইণ্ট ভেল্যু 26,2500 আৰু সমগ্ৰ দেশত বিভিন্ন লেভেলৰ ডাইৰেক্টও সকলৰ দ্বাৰা সংগ্ৰহিত DB পইণ্ট 3,08,824, তেতিয়া উই পইণ্ট ভেল্যুৰ গণনা তলত দেখুওৱাৰ দৰে হ’ব:

$$\frac{\text{কোম্পানীৰ মাহিলি PV 14\%}}{\text{মুঠ সংগ্ৰহিত DB পইণ্ট}} = \frac{2,62,500}{3,08,824} = 0.85 \text{ (এইটোৱেই DB পইণ্টৰ মান)}$$

মুঠ সংগ্ৰহিত পইণ্ট 620.15-K 0.85-ৰে (পইণ্ট ভেল্যু) পূৰণ কৰা হয়, যিটো হয়গৈ 527.13 x 18 = 9488.30 টকা, যিটো আপুনি পাৰদৰ্শিতা বোনাচৰ উপৰিও ডাইৰেক্টৰ বোনাচ হিচাপে পায়।

তেনেদৰে, ডাউনলাইন A-য়ে তলত দিয়াৰ দৰে ডিষ্ট্ৰিবিউটৰ বোনাচ লাভ কৰে।

| | | |
|---|---|---|
| PGPV-ৰ ওপৰত 6% | = 2,001 x 6% | = 120.06 পইণ্ট। |
| ডাইৰেক্টৰ B-ৰ PGPV-ৰ ওপৰত 5% | = 10,001 x 5% | = 500.05 পইণ্ট। |

ডাইৰেক্টৰ বোনাচ হিচাপে ডিষ্ট্ৰিবিউটৰ A-ৰ দ্বাৰা মুঠ সংগ্ৰহিত পইণ্ট = 620.11 x 0.85 (পইণ্ট ভেল্যু) x 18 = 9,487.68 টকা

ডিষ্ট্ৰিবিউটৰ B-এ ডাইৰেক্টৰ বোনাচ পাবলৈ যোগ্য আৰু তেওঁৰ গ্ৰুপৰ দ্বাৰা সৃষ্টি কৰা PGPV-ৰ ওপৰত 6% পইণ্ট পাব আৰু 10,001-ৰ 6% = 600.06 পইণ্ট x 0.85 (পইণ্ট ভেল্যু) x 18 = 9,180.92 টকা পাব।

## ডায়নামিক কম্প্ৰেচন

DB-ৰ বাবে যোগ্য হ'বলৈ, সকলোৰে ব্যক্তিগত ক্ৰয় 40 PV থাকিব লাগিব। সকলোবোৰ যোগ্য ডাইৰেক্টৰ গ্ৰুপৰ ওপৰত DB পৰিশোধ কৰা হয়। যদি আপোনাৰ ডাইৰেক্ট ডাইৰেক্টৰ ডাউনলাইনে যোগ্যতা লাভ কৰা নাই, তেন্তে যোগ্যতা লাভ নকৰা ডাইৰেক্টৰসকলৰ PGPV লেভেল নিৰ্বিশেষে এজন যোগ্য ডাইৰেক্টৰলৈ যোগ কৰা হয়। এই যোগ ওপৰৰ পৰা তললৈ কৰা হয়।

## ফাৰ্ষ্ট ষ্টাৰ্ট ব্ৰোঞ্জ ডাইৰেক্টৰ

যদি এটা ব্যৱসায়িক মাহত আপুনি 7,501 PV অৰ্জন কৰে, আপুনি এজন ফাৰ্ষ্ট ষ্টাৰ্ট ব্ৰোঞ্জ ডাইৰেক্টৰ হিচাপে যোগ্য হয়। ই আপোনাক 20% পাৰ্ফৰমেন্স বোনাচ আৰু ডাইৰেক্টৰ বোনাচৰ পোৱাৰ যোগ্য কৰে।

## লিডাৰশ্বিপ অ'ভাৰৰাইডিং বোনাচ 15%

লিডাৰশ্বিপ অ'ভাৰৰাইডিং বোনাচ (LOB) চিলভাৰ ডাইৰেক্টৰ আৰু ওপৰৰসকলক প্ৰদান কৰা হ'ব। LOB-ৰ শতাংশ পদবীৰ ওপৰত নিৰ্ভৰ কৰিব। LOB-ৰ বাবে যোগ্য হ'বলৈ, সকলোৰে ব্যক্তিগত ক্ৰয় 40 PV আৰু 5,625 GPV থাকিব লাগিব, ব্যক্তিগত ক্ৰয় অন্তৰ্ভুক্ত নকৰাকৈ। এটা একক ডাউনলাইন গ্ৰুপৰ পৰা 5,625 GPV আহিছে।

যদি আপোনাৰ ডাইৰেক্টৰ ডাউনলাইনৰ GPV 5,625 নাথাকে, তেন্তে যোগ্য/অযোগ্য ডাইৰেক্টৰসকলৰ GPV বোৰ 5,625 GPV নোহোৱালৈকে একত্ৰিত কৰি থকা হ'ব। LOB পইণ্ট ভেল্যু ছিষ্টেমৰ ওপৰতো হয় আৰু তাৰ পাছত সোঁফালে দেখুওৱা সূত্ৰ অনুযায়ী পইণ্টৰ মূল্য নিৰ্ণয় কৰা হয় -



$$\frac{\text{কোম্পানীৰ মাহিলি PV-ৰ 15\%}}{\text{মুঠ সংগ্ৰহিত LOB পইণ্ট}} = \text{LOB পইণ্টৰ ভেল্যু}$$

**তলত দেখুওৱা তালিকা অনুযায়ী LOB গণনা কৰা হয় ~**

| স্থিতি | ডাইৰেক্টৰ গ্ৰুপসমূহ | যোগ্যতাৰ চৰ্ত | লিডাৰশ্বিপ বোনাচ % হিচাপত | | | | | | | |
|---|---|---|---|---|---|---|---|---|---|---|
| | | | SD | GD | ষ্টাৰ | DD | CD | UCD | DCD | DUCD |
| চিলভাৰ ডাইৰেক্টৰ | 1 | GPV 5,625 | 5 | | | | | | | |
| গোল্ড ডাইৰেক্টৰ | 2 | GPV 5,625 | 5 | 5 | | | | | | |
| ষ্টাৰ ডাইৰেক্টৰ | 3 | GPV 5,625 | 5 | 5 | 5 | | | | | |
| ডায়মণ্ড ডাইৰেক্টৰ | 4 | GPV 5,625 | 5 | 5 | 5 | 4 | | | | |
| ক্ৰাউন ডাইৰেক্টৰ | 6 | GPV 5,625 | 5 | 5 | 5 | 4 | 3 | | | |
| ইউনিভাৰ্চেল ক্ৰাউন ডাইৰেক্টৰ | 8 | GPV 5,625 | 5 | 5 | 5 | 4 | 3 | 2 | | |
| ডাবল ক্ৰাউন ডাইৰেক্টৰ | 12 | GPV 5,625 | 5 | 5 | 5 | 4 | 3 | 2 | 1 | |
| ডাবল ইউনিভাৰ্চেল ক্ৰাউন ডাইৰেক্টৰ | > = 16 | GPV 5,625 | 5 | 5 | 5 | 4 | 3 | 2 | 1 | .5 |

ইয়াত 5,625 PV-ৰ "সৰ্বনিম্ন নিশ্চয়তা আছে। যদি আপোনাৰ PGPV, 5,625 নহয় তেন্তে পাৰ্থক্যখিনি আপুনি সংগ্ৰহ কৰা পইণ্টৰ পৰা পৰৱৰ্তী যোগ্য ডাইৰেক্টৰলৈ লৈ যোৱা হয়।

## ট্ৰেভল ফাণ্ড (TF) 3%

ভেষ্টিজে চিলভাৰ ডাইৰেক্টৰ আৰু ওপৰৰ সকলক ট্ৰেভল ফাণ্ড (TF) প্ৰদান কৰে। কোম্পানীৰ মাহিলি মুঠ PV-ৰ 3% TF হিচাপে আৱণ্টন কৰা হয় আৰু যোগ্যসকলৰ দ্বাৰা অৰ্জন কৰা ট্ৰেভেল ফাণ্ড পইণ্টৰ আধাৰত "পইণ্ট শ্বেয়াৰিং ছিষ্টেমত" গণনা কৰা হয়। TF ভেল্যুৰ প্ৰতি পইণ্টৰ মান প্ৰতি মাহে তাৰতম্য হ'ব আৰু মাহিলি হিচাপত তলত দেখুওৱা সূত্ৰ অনুযায়ী গণনা কৰা হয়:

$$\frac{\text{কোম্পানীৰ মুঠ মাহিলি PV-ৰ 3\%}}{\text{মুঠ সংগ্ৰহিত ট্ৰেভেল ফাণ্ড পইণ্ট}} = \text{TF পইণ্টৰ ভেল্যু}$$

এইটোও ডাইৰেক্টৰ বোনাচ যোগ্যতাৰ ওপৰত আধাৰিত আৰু একেই লেভেল অনুযায়ী পৰিশোধ কৰা হয়।



**পূৰ্ব-চৰ্ত**

ট্ৰেভল ফাণ্ড কোম্পানীৰ দ্বাৰা ঘোষিত ভ্ৰমণৰ বাবে ব্যৱহাৰ কৰিব লাগিব।

## কাৰ ফাণ্ড (CF) 5%

ভেষ্টিজে ষ্টাৰ ডাইৰেক্টৰ আৰু ওপৰৰ সকলক কাৰৰ ফাণ্ড (CF) প্ৰদান কৰে। কোম্পানীৰ মাহিলি মুঠ PV-ৰ 5% CF হিচাপে আৱণ্টন কৰা হয় আৰু যোগ্যসকলৰ দ্বাৰা অৰ্জন কৰা কাৰ ফাণ্ড পইণ্টৰ আধাৰত "পইণ্ট শ্বেয়াৰিং ছিষ্টেমত" গণনা কৰা হয়। CF ভেল্যুৰ প্ৰতি পইণ্টৰ মান প্ৰতি মাহে তাৰতম্য হ'ব আৰু মাহিলি হিচাপত তলত দেখুওৱা সূত্ৰ অনুযায়ী গণনা কৰা হয়:

$$\frac{\text{কোম্পানীৰ মুঠ মাহিলি PV-ৰ 5\%}}{\text{মুঠ সংগ্ৰহিত CF পইণ্ট}} = \text{CF পইণ্টৰ ভেল্যু}$$

এইটোও ডাইৰেক্টৰ বোনাচ যোগ্যতাৰ ওপৰত আধাৰিত আৰু একেই লেভেল অনুযায়ী পৰিশোধ কৰা হয়।

**কাৰ ফাণ্ডৰ বাবে প্ৰফিট শ্বেয়াৰিঙৰ প্ৰয়োজনীয়তা**

| পদবী | যোগ্যতা | CF-পইণ্ট |
|---|---|---|
| ষ্টাৰ ডাইৰেক্টৰ/ ডায়মণ্ড ডাইৰেক্টৰ/ ক্ৰাউন ডাইৰেক্টৰ/ ইউনিভাৰ্চেল ক্ৰাউন ডাইৰেক্টৰ/ ডাবল ক্ৰাউন ডাইৰেক্টৰ/ ডাবল ইউনিভাৰ্চেল ক্ৰাউন ডাইৰেক্টৰ | • ব্যক্তিগত ক্ৰয় মাহিলি 40 PV ৰাখক<br>• তেওঁৰ অধীনত প্ৰত্যক্ষভাৱে বা পৰোক্ষভাৱে তিনিটা ডাইৰেক্টৰ* গ্ৰুপ (ব্ৰোঞ্জ ডাইৰেক্টৰ আৰু ওপৰত) ৰাখক<br>• ধাৰাবাহিক তিনিটা মাহত কমেও ষ্টাৰ ডাইৰেক্টৰৰ স্থিতি বজাই ৰাখক<br>• চতুৰ্থ মাহৰ পৰা CF উপভোগ কৰিবলৈ | ডাইৰেক্টৰ বোনাচ পইণ্ট ছিষ্টেম গণনাৰ আধাৰত |



**পূৰ্ব-চৰ্ত**

1 কাৰ ফাণ্ডৰ বাবে যোগ্যতা অৰ্জন কৰা ডিষ্ট্ৰিবিউটৰে কোম্পানীৰ পৰা অনুমোদন পোৱাৰ পাছত গাড়ী কিনিব লাগিব।

2 কোম্পানীৰ পৰা অনুমোদন পোৱাৰ পাছত কাৰ ফাণ্ডৰ ব্যৱসায় বিকাশৰ বাবে ব্যৱহাৰ কৰিব পৰা যাব।

3 CF-ৰ পৰা আপুনি প্ৰতি মাহে সৰ্বাধিক 60,000 টকা উপাৰ্জন কৰিব পাৰে।

**সুবিধা**

আপুনি এবাৰ কাৰ ফাণ্ডৰ বাবে যোগ্য হলে আপুনি চিলভাৰ ডাইৰেক্টৰ হিচাপে যোগ্যতা প্ৰাপ্ত কৰালৈকে অব্যাহতভাৱে কাৰ ফাণ্ডৰ উপভোগ কৰিব থাকিব পাৰে।

*200। PV- ৰ PGPV থাকিবই লাগিব আৰু এয়া 20% ডাউনলাইনৰ ব্যৱসায় ভলিউমৰ বাহিৰত হ'ব।

## হাউছ ফাণ্ড (HF) 3%

ভেষ্টিজে ষ্টাৰ ডাইৰেক্টৰ আৰু ওপৰৰ সকলক হাউছ ফাণ্ড (HF) প্ৰদান কৰে। কোম্পানীৰ মুঠ PV-ৰ 3% HF হিচাপে আৱণ্টন কৰা হয় আৰু যোগ্যসকলৰ দ্বাৰা সংগ্ৰহ কৰা হাউছ ফাণ্ড পইণ্টৰ আধাৰত “পইণ্ট শ্বেয়াৰিং ছিষ্টেমত” গণনা কৰা হয়। HF ভেল্যুৰ প্ৰতি পইণ্টৰ মান প্ৰতি মাহে তাৰতম্য হ'ব আৰু মাহিলি হিচাপত তলত দেখুওৱা সূত্ৰ অনুযায়ী গণনা কৰা হয়:

$$\frac{\text{কোম্পানীৰ মুঠ মাহিলি PV-ৰ 3\%}}{\text{মুঠ সংগ্ৰহিত HF পইণ্ট}} = \text{HF পইণ্টৰ ভেল্যু}$$

এইটোও ডাইৰেক্টৰ বোনাচ যোগ্যতাৰ ওপৰত আধাৰিত আৰু একেই লেভেল অনুযায়ী পৰিশোধ কৰা হয়।

**হাউছ ফাণ্ড প্ৰফিট শ্বেয়াৰিঙৰ বাবে প্ৰয়োজনীয়তা**

| পদৱী | যোগ্যতা | HF-পইণ্ট |
|---|---|---|
| ক্ৰাউন ডাইৰেক্টৰ/ ইউনিভাৰ্চেল ক্ৰাউন ডাইৰেক্টৰ/ ডাবল ক্ৰাউন ডাইৰেক্টৰ/ ডাবল ইউনিভাৰ্চেল ক্ৰাউন ডাইৰেক্টৰ | • ব্যক্তিগত ক্ৰয় মাহিলি 40 PV ৰাখক<br>• তেওঁৰ অধীনত প্ৰত্যক্ষভাৱে বা পৰোক্ষভাৱে ছটা ডাইৰেক্টৰ* গ্ৰুপ (ব্ৰোঞ্জ ডাইৰেক্টৰ আৰু ওপৰত) ৰাখক<br>• ধাৰাবাহিক তিনিটা মাহত কমেও ক্ৰাউন ডাইৰেক্টৰৰ স্থিতি বজাই ৰাখক<br>• চতুৰ্থ মাহৰ পৰা HF উপভোগ কৰিবলৈ | ডাইৰেক্টৰ বোনাচ পইণ্ট ছিষ্টেম গণনাৰ আধাৰত |



**পূৰ্ব-চৰ্ত**

I হাউছ ফাণ্ডৰ উপাৰ্জনসমূহ কোম্পানীৰ দ্বাৰা পৰৱৰ্তী মাহটোত বোনাচ চেকৰ সৈতে মুকলি কৰি দিয়া হ'ব।

2 HF-ৰ পৰা আপুনি প্ৰতি মাহে সৰ্বাধিক 80,000 টকা উপাৰ্জন কৰিব পাৰে।

### সুবিধা

আপুনি এবাৰ হাউছ ফাণ্ডৰ বাবে যোগ্য হলে আপুনি চিলভাৰ ডাইৰেক্টৰ হিচাপে যোগ্যতা প্ৰাপ্ত কৰালৈকে অব্যাহতভাৱে হাউছ ফাণ্ড উপভোগ কৰিব থাকিব পাৰে।

# ভেষ্টিজ পলিচী

## প্ৰ'ডাক্টৰ গেৰাণ্টি

ভেষ্টিজ (ইয়াৰ পাছত কোম্পানী হিচাপে উল্লেখ কৰা হৈছে) প্ৰতিজন গ্ৰাহকৰ বাবে আন্তৰ্জাতিক গুণমানৰ পণ্য যদি ডিষ্ট্ৰিবিউটৰ বা উপভোক্তাৰ দ্বাৰা ক্ৰয় কৰা পণ্য নিকৃষ্ট মানৰ হয় বা উৎপাদনৰ ত্ৰুটি থাকে, কোম্পানীয়ে সেইবোৰ সলাই দিবলৈ গেৰাণ্টি দিয়ে। অৱশ্যে, এই গেৰাণ্টি ম্যাদ উকলা, অৱহেলা বা ইচ্ছাকৃতভাৱে হোৱা ক্ষতি বা দূষণৰ বাবে প্ৰযোজ্য নহয়।

## প্ৰ'ডাক্ট ঘূৰাই দিয়া নীতি

যদি কোনো ধৰণৰ অসন্তুষ্টি, উৎপাদন বা পেকেজিং ত্ৰুটি, গ্ৰাহক/ডিষ্ট্ৰিবিউটৰে প্ৰ'ডাক্ট ঘূৰাই দিব বা বিনিময় কৰিব পাৰে। গ্ৰাহক/ ডিষ্ট্ৰিবিউটৰে সেইবোৰ কিনা ডিষ্ট্ৰিবিউটৰ/কোম্পানীৰ পৰা কিনাৰ পৰা 30 দিনৰ ভিতৰত যোগাযোগ কৰিব। তেওঁলোকে কাৰণ দৰ্শাব আৰু মূল কাষ্টমাৰ অৰ্ডাৰ ৰচিদৰ কপি/ইনভইচৰ সৈতে প্ৰ'ডাক্টসমূহ ঘূৰাই দিব। এনেকুৱা ক্ষেত্ৰত, গ্ৰাহকৰ প্ৰয়োজন অনুযায়ী টকা ঘূৰাই দিব নে আন প্ৰ'ডাক্ট দিব সেয়া সন্তুষ্ট কৰাটো ডিষ্ট্ৰিবিউটৰৰ দায়িত্ব।

ডিষ্ট্ৰিবিউটৰে তাৰপাছত প্ৰ'ডাক্টবোৰ মূল ইনভইচৰ সৈতে কোম্পানীক ঘূৰাই দিব পাৰে। কোম্পানীয়ে সেই প্ৰ'ডাক্টবোৰ বিনামূল্যে ঘূৰাই দিব বা যদি ডিষ্ট্ৰিবিউটৰে সেই প্ৰ'ডাক্টবোৰ পৰিৱৰ্তন নিবিচাৰে, তেন্তে কোম্পানীয়ে সম পৰিমাণৰ কেশ্ব ভাউচাৰ, যিবোৰেৰে 30 দিনৰ ভিতৰত ডিষ্ট্ৰিবিউটৰে নিজৰ পচন্দৰ প্ৰ'ডাক্ট কিনিব পাৰিব।

**প্ৰয়োজনীয় নথিপত্ৰ**

- প্ৰ'ডাক্ট ঘূৰাই দিয়াৰ প্ৰপত্ৰ
- ঘূৰাই দিয়াৰ কাৰণ
- ইনভইচৰ কপি
- ঘূৰাই দিব লগা প্ৰ'ডাক্ট

*200। PV- ৰ PGPV থাকিবই লাগিব আৰু এয়া 20% ডাউনলাইনৰ ব্যৱসায় ভলিউমৰ বাহিৰত হ'ব।

## বাই বেক পলিচী

যিসকল ডিষ্ট্ৰিবিউটৰে তেওঁলোকৰ ডিষ্ট্ৰিবিউটৰশ্বিপ প্ৰত্যাহাৰ কৰিব বিচাৰে আৰু যিকোনো ভাল অৱস্থাত থকা, ব্যৱহাৰযোগ্য, পুনবিক্ৰীযোগ্য, পুনমজুতযোগ্য, নোখোলা, সাল-সলনি নকৰা আৰু কমেও চাৰি মাহৰ ছেল্ফ লাইফ থকা ভেষ্টিজ প্ৰ'ডাক্ট ঘূৰাই দিব বিচাৰে, কোম্পানীয়ে তেওঁলোকৰ বাবে বাই বেক পলিচী প্ৰদান কৰে।

যদি ডিষ্ট্ৰিবিউটজনে প্ৰ'ডাক্ট ক্ৰয় কৰাৰ 30 দিনৰ ভিতৰত প্ৰত্যাহাৰ কৰিব বিচাৰে, ভেষ্টিজে ডিষ্ট্ৰিবিউটৰক প্ৰ'ডাক্টৰ সম্পূৰ্ণ মূল্য ঘূৰাই দিব।

যদি ডিষ্ট্ৰিবিউটৰজনে প্ৰ'ডাক্ট ক্ৰয় কৰাৰ 30 দিনৰ ভিতৰত প্ৰত্যাহাৰ কৰিব বিচাৰে, ভেষ্টিজে ঘূৰাই দিয়া টকাৰ পৰিমাণটো হ'ব ঘূৰাই দিয়া প্ৰ'ডাক্টৰ বাবে ডিষ্ট্ৰিবিউটৰে ব্যয় কৰা পৰিমাণৰ সমান টকা, কিন্তু বোনাচ হিচাপে কোম্পানীয়ে প্ৰথমতে ক্ৰয় কৰাৰ সময়ত পৰিশোধ কৰা টকা আৰু 10% সেৱা মাচুল কৰ্তন কৰা হ'ব।

বাই বেক পলিচী স্পঙ্গৰ আৰু কোম্পানীৰ ওপৰত আৰোপ কৰিবলৈ ডিজাইন কৰা হৈছে- ডিষ্ট্ৰিবিউটৰে প্ৰ'ডাক্টসমূহ বিবেচনা সহকাৰে কিনাটো নিশ্চিত কৰিবলৈ।

## প্ৰচাৰ, বিজ্ঞাপন, বিক্ৰী আৰু মাৰ্কেটিং পলিচী

কোম্পানীয়ে প্ৰচাৰ, বিজ্ঞাপন, বিক্ৰী আৰু মাৰ্কেটিং নীতি বিকাশ কৰিছে আৰু ইয়াক নিজৰ প্ৰ'ডাক্টৰ বাবে অনুসৰণ কৰে। ডিষ্ট্ৰিবিউটৰে তেনে নীতি ৰূপায়ণ কৰা উচিত। কোনো পৰিস্থিতিতেই ডিষ্ট্ৰিবিউটৰে নীতিসমূহ সাল-সলনি বা তৈয়াৰ কৰিব নোৱাৰিব। অৱশ্যে, ডিষ্ট্ৰিবিউটৰক ইনপুট আৰু পৰামৰ্শ কোম্পানীৰ বিবেচনাৰ্থে প্ৰদান কৰাৰ বাবে উৎসাহিত কৰা হয়। কোম্পানীয়ে ইয়াৰ প্ৰ'ডাক্টসমূহ মজুত কৰিবলৈ, প্ৰদৰ্শন কৰিবলৈ বা পাইকাৰী বা খুচুৰা ভাবে বিক্ৰী কৰিবলৈ অনুমতি নিদিয়ে। যেতিয়াই তেনেকুৱা ঘটনা লক্ষ্য কৰা হয়, তেতিয়াই জড়িত ব্যক্তি/ ডিষ্ট্ৰিবিউটৰ আৰু তেনেকুৱা ঘটনাৰ, পৰিস্থিতিৰ কথা প্ৰতিজন ডিষ্ট্ৰিবিউটৰেই জনোৱাটো আশা কৰা হয়।

কোম্পানীৰ প্ৰ'ডাক্টসমূহ ডিষ্ট্ৰিবিউটৰসকলৰ মাজত আৰু কোম্পানীৰ কৰ্মচাৰীসকলৰ মাজত ক্ৰয়-বিক্ৰয় কৰাৰ অনুমতি দিয়া নহয়। তেনেকুৱা ঘটনা জনা গ'লে, জড়িত ব্যক্তিসকলৰ বিৰুদ্ধে কঠোৰ ব্যৱস্থা লোৱা হ'ব। প্ৰ'ডাক্টসমূহ কোম্পানীৰ দ্বাৰা নিৰ্ধাৰিত আৰু ৰূপায়িত মূল্য আৰু পেকেজৰ বাহিৰে বিক্ৰী কৰা কঠোৰ ভাবে নিষিদ্ধ। আন ডিষ্ট্ৰিবিউটৰৰ সৈতে প্ৰতিযোগিতা কৰি প্ৰ'ডাক্টসমূহ নিৰ্ধাৰিত মূল্যতকৈ বেলেগ মূল্যত বিক্ৰী কৰাটো বা অন্যথা কৰাটো কঠোৰ দৃষ্টিৰে চোৱা হ'ব; তেনেকুৱা ক্ষেত্ৰত কোম্পানীয়ে তেনেকুৱা কামত জড়িত থকা ব্যক্তিৰ ডিষ্ট্ৰিবিউটৰশ্বিপ বৰ্খাস্ত কৰিব পাৰে আৰু বোনাচ/বকেয়া বাজেয়াপ্ত কৰা হ'ব পাৰে।

ডিষ্ট্ৰিবিউটৰসকলক নিজাববীয়াকৈ কোনো প্ৰচাৰ কাৰ্য চলাবলৈ অনুমতি দিয়া নহয়, যদিহে তেওঁলোকে কোম্পানীৰ পৰা তাৰবাবে লিখিত অনুমোদন নলয়। কোম্পানীয়ে ইয়াৰ প্ৰ'ডাক্টৰ মাৰ্কেটিং আৰু চেলচ্ বাবে বিৱৰণসমূহ ডিজাইন, মুদ্ৰণ, প্ৰকাশ কৰে আৰু প্ৰ'ডাক্টৰ তথ্য, প্লেন আৰু দৰ্শন সম্পৰ্কিত পুস্তিকা বিতৰণ কৰে। ডিষ্ট্ৰিবিউটৰসকলে এইবোৰৰ পৰা বিচলিত হোৱাটো উচিত নহয়।

বিশেষ পৰিস্থিতিত, কোম্পানীয়ে ডিষ্ট্ৰিবিউটৰসকলক বিশেষ পুস্তিকা আৰু/বা বিজ্ঞাপনসমূহ তৈয়াৰ কৰিবলৈ অনুমতি দিব পাৰে। অৱশ্যে, ইয়াৰ বাবে আগ্ৰহী ডিষ্ট্ৰিবিউটৰসকলে অনুমোদনৰ বাবে কোম্পানীৰ ওচৰত আগতীয়াকৈ বিশদ পৰিকল্পনা দাখিল কৰিব। কোম্পানীৰ দ্বাৰা লিখিত অনুমোদন নাপালে কোনেও কোম্পানীৰ প্ৰপত্ৰ আৰু কোম্পানীৰ পুস্তিকা/নীতি প্ৰচাৰ/মাৰ্কেটিং আৰু চেলচ্ বাবে সলনি নকৰিব।

ডিষ্ট্ৰিবিউটৰশ্বিপৰ ম্যাদ উকলিলে বা বৰ্খাস্ত হ'লে, ডিষ্ট্ৰিবিউটৰে কোম্পানীৰ প্ৰতীক, ল'গো আৰু/বা অন্যান্য প্ৰতিনিধিত্বকাৰী সামগ্ৰী আঁতৰাব আৰু কোনো নাম, প্ৰতীক, লেবেল, ষ্টেচনেৰী, প্ৰ'ডাক্টৰ নাম, কপিৰাইট, ডিজাইন আৰু/বা কোম্পানীৰ প্ৰ'ডাক্ট সম্পৰ্কীয় কোনো মুদ্ৰিত সামগ্ৰী ব্যৱহাৰ নকৰিব। যদি ওপৰোক্ত চৰ্ত লঙ্ঘণ কৰা হয়, তেন্তে লঙ্ঘণকাৰী ডিষ্ট্ৰিবিউটৰৰ বিৰুদ্ধে কোম্পানীয়ে আইনী ব্যৱস্থা গ্ৰহণ কৰিব পাৰে।

ডিষ্ট্ৰিবিউটৰে উপভোক্তাক প্ৰ'ডাক্ট বিক্ৰী কৰাৰ সময়ত ডিষ্ট্ৰিবিউটৰ নিম্নলিখিত বিৱৰণসমূহ প্ৰদান কৰিব

(a) ক্ৰেতা আৰু বিক্ৰেতাৰ নাম;
(b) সামগ্ৰী বা সেৱাৰ ডেলিভাৰীৰ তাৰিখ;
(c) সামগ্ৰী ঘূৰাই দিয়াৰ পদ্ধতি; আৰু
(d) সিামগ্ৰীৰ ৱাৰেণ্টি আৰু বিনিময়/ক্ৰুটিযুক্ত সামগ্ৰীৰ ঘূৰাই দিয়াৰ পদ্ধতি।

যদি ডিষ্ট্ৰিবিউটৰে চেল প্ৰ'ডাক্ট ই-কমাৰ্চ প্লেটফৰ্মত/মাৰ্কেটপ্লেচত বিক্ৰী কৰি আছে বা আগবঢ়াইছে, তেন্তে ডিষ্ট্ৰিবিউটৰে তেনেকুৱা কাৰ্যৰ বাবে কোম্পানীৰ পৰা আগতীয়াকৈ লিখিত অনুমতি ল'বই লাগিব।

## ৰিপোৰ্টৰ পলিচী

যদিও সাধাৰণভাৱে সকলো ডিষ্ট্ৰিবিউটৰেই তেওঁলোকৰ আপলাইনক ৰিপোৰ্ট কৰা উচিত আৰু তেওঁলোকৰ ডাউনলাইনক পাৰস্পৰিক বুজাবুজিৰ মাজেৰে নিৰ্দেশনা দিয়া উচিত, কিন্তু সকলো ডিষ্ট্ৰিবিউটৰেই “অসাধাৰণ পৰিস্থিতিৰ” বিষয়ে কোম্পানীক প্ৰত্যক্ষভাবে জনোৱা আৰু নিৰ্দেশনা বিচৰা উচিত।

## পুৰস্কাৰ/ ৰিকনচিলেচন / খালি পদৰ পলিচী

যদি ডিষ্ট্ৰিবিউটৰত হোৱা কোনো মৃত্যু (উত্তৰাধিকাৰী/ মনোনীত ব্যক্তি নথকাৰ ক্ষেত্ৰত) পদত্যাগ, বৰ্খাস্ত, বাতিলকৰণ, নিষ্ক্ৰিয় ডিষ্ট্ৰিবিউটৰশ্বিপ, দাবীহীন ডিষ্ট্ৰিবিউটৰশ্বিপৰ বাবে কোনো ডায়মণ্ড বা ওপৰৰ ডিষ্ট্ৰিবিউটৰশ্বিপ খালী হৈ থাকে তেন্তে কোম্পানীয়ে তেনেকুৱা খালী ডিষ্ট্ৰিবিউটৰশ্বিপৰ বাবে বিদ্যমান ডায়মণ্ড ডিষ্ট্ৰিবিউটৰশ্বিপ বা তাৰ ওপৰৰ লেভেলৰ মাজত নিলাম কৰিব আৰু সৰ্বাধিক নিৰিখ আগবঢ়োৱাজনে সেইটো পাব। তেনেকৈ ক্ৰয় কৰা নেটৱৰ্ক স্পন্সৰশ্বিপৰ বিদ্যমান অৱস্থানৰ লাইনত থাকিব আৰু নিলাম ক্ৰয় কৰোঁতাৰ দ্বিতীয় অনুমোদিত ডিষ্ট্ৰিবিউটৰশ্বিপ হিচাপে জনা যাব।

পূৰ্বোল্লেখিত নিলামৰ মাধ্যমত সংগ্ৰহ কৰা পুঁজিখিনি সেই সময়ত বিদ্যমান থকা কোম্পানীৰ নিৰ্দেশ অনুযায়ী ইচেণ্টিভৰ বাবে যোগ্য বিবেচিত ডিষ্ট্ৰিবিউটৰৰ মাজত বিতৰণ কৰা হ’ব পাৰে।

যদি কোম্পানীয়ে নেটৱৰ্ক লিংকৰ কোনো খালী ডিষ্ট্ৰিবিউটৰশ্বিপৰ বাবে কোনো ক্ৰেতা নাপায়, নেটৱৰ্কৰ ব্যৱসায় পৰিচালনা কৰাৰ বাবে আৰু নেটৱৰ্ক কাৰ্যকৰীভাৱে চলোৱাৰ তত্ত্বাৱধান লোৱাৰ এজন প্ৰশাসক নিয়োগ কৰা হ’ব। কোম্পানীয়ে সুচাৰু পৰিচালনা আৰু নেটৱৰ্ক আৰু সম্পৰ্কিত ব্যৱসায়ৰ বৃদ্ধিত সন্তুষ্ট হ’লেহে কেৱল তেনেকুৱা নেটৱৰ্ক একেই বা উচ্চতৰ লেভেলৰ লিডাৰক বিতৰণ কৰিব পাৰে, যাৰ নেটৱৰ্ক এডমিনিষ্টাৰ কৰা হৈ আছে বা তেনেকুৱা ভাবে কৰা হ’ব যিটো ব্যৱসায়ৰ উৎকৃষ্ট স্বাৰ্থত হ’ব। এই বিষয়ত কোম্পানীৰ সিদ্ধান্তই চূড়ান্ত হ’ব।

# কৰ্পোৰেট যোগাযোগ

আমাৰ কৰ্পোৰেট পৰিচয় আৰু ষ্টেচনেৰী হ’ল আমি যোগাযোগ কৰা পদ্ধতিৰ ক্ষেত্ৰত মৌলিক। এই ধৰণেই আমি নিজকে গ্ৰাহকৰ ওচৰত উপস্থাপন কৰোঁ। এইবোৰ গুৰুত্বপূৰ্ণ সম্পদ, যিবোৰে আমাৰ ব্ৰেণ্ডৰ ভাবমূৰ্তিৰ প্ৰতিনিধিত্ব কৰে, অপাৰেচনবোৰ সমমানৰ কৰে আৰু গুণমানৰ পৰিচয় দাঙি ধৰে। আমাৰ পৰিচয় আৰু ষ্টেচনাৰীয়ে আমাক দৃঢ়তা আৰু উপলব্ধি প্ৰদান কৰে। আমাৰ কৰ্পোৰেট পৰিচয়ৰ মানদণ্ড বজাই ৰখাটো নিশ্চিত কৰিবলৈ আমি অনুশাসন মানি চলিবই লাগিব। এয়া আমাৰ কোম্পানীৰ ভৱিষ্যতৰ সুখ্যাতি নিশ্চিত কৰাৰ বাবে আৰু এয়া এটা কাম যে আমাৰ সকলোৰে বাবে আশীৰ্বাদ হিচাপে আছে।

TM

8.6 X

X

2.3 X

80C | 0M | 100Y |10K PANTONE (solid coated) : 362C


100C | 70M | 0Y |10K PANTONE (solid coated) : 293 C

0C | 0M | 0Y | 100K PANTONE : Pantone Black C

Typeface of Logotype : Frutiger Lt Std Black

আমি আপোনাৰ বাবে এটা ষ্টেচনেৰী টেমপ্লেট তৈয়াৰ কৰিছো। এই টেমপ্লেট তৈয়াৰ কৰা হৈছে ভেষ্টিজ ব্ৰেণ্ডৰ অনুমোদনত সহায়ক হ’বলৈ। এয়া অনুমোদন কৰা হয় যাতে কৰ্পোৰেট পৰিচয় আৰু ভিজিটিং কাৰ্ড সকলো ব্যৱসায়িক লেনদেনৰ বাবে ব্যৱহাৰ কৰা হয়। আপুনি নিশ্চিত কৰিব লাগিব যে ফণ্ট, টাইপচাইজ, ৰঙ, স্পেচ আৰু অন্যান্য বিৱৰণসমূহ ভেষ্টিজৰ মানদণ্ডৰ সৈতে সংগতিপূৰ্ণ।

আপুনি সম্ভাব্য আৰু/বা বিদ্যমান ডিষ্ট্ৰিবিউটৰক পুস্তিকা আৰু/বা প্ৰশিক্ষণ সামগ্ৰী প্ৰদান নকৰিব যিবোৰ আমাৰ দ্বাৰা প্ৰদান কৰা হোৱা নাই বা অনুমোদিত নহয়। আমাৰ পৰিচয় আৰু ভিজিটিং কাৰ্ডৰ মানদণ্ডবোৰ তলত দিয়া হৈছে —




CARD DIMENSION : 52mm(HEIGHT) x 87mm(WIDTH)

Stroke thickness (blue & green)= .75 pt

Font : Gill Sans Std Bold | Type Size : 7.5
Font : Gill Sans Std Light | Type Size : 7.5
Font : Gill Sans Std Regular | Type Size : 7.5
Font : Gill Sans Std Light | Type Size : 5.75
Font : Gill Sans Std Light | Type Size : 7.5
Font : Gill Sans Std Regular | Type Size : 8.5

## আচৰণ বিধি

সকলো সময়তে ডিষ্ট্ৰিবিউটৰে ভেষ্টিজৰ আচৰণ বিধি পালন কৰিব লাগিব। যিকোনো লঙ্ঘণৰ বাবে কোম্পানীয়ে ডিষ্ট্ৰিবিউটৰক বৰ্খাস্ত কৰাৰ অধিকাৰ সংৰক্ষিত ৰাখে। নথিভুক্তকৰণৰ পাছত, ডিষ্ট্ৰিবিউটৰে নিম্নলিখিতসমূহ মানিবলৈ অংগীকাৰ কৰিব লাগিব:

1. যে, মই ভেষ্টিজ ব্যৱসায়ত সততা আৰু অখণ্ডতাৰ সৰ্বাধিক মানদণ্ড অনুসৰণ কৰিম।

2. সাফল্য লাভৰ বাবে প্ৰয়োজনীয় প্ৰচেষ্টাৰ লেভেল স্পষ্টভাৱে বৰ্ণনা কৰি মই কোম্পানীৰ মাৰ্কেটিং প্লেন নিখুঁতভাৱে আৰু সততাৰে উপস্থাপন কৰিম। কথা বতৰা পাতোতে মই ভ্ৰান্ত, মিছা, ছলাহী আৰু/বা অনুচিত নিয়োগ প্ৰক্ৰিয়া ব্যৱহাৰ নকৰিম তথা ব্যৱসায়ৰ প্ৰকৃত বা সম্ভাব্য বিক্ৰী বা উপাৰ্জন আৰু সুবিধাসমূহ সম্ভাব্য ডিষ্ট্ৰিবিউটৰক প্ৰদান কৰা আদি কাৰ্যৰ পৰা বিৰত থাকিম।

3. মই কোম্পানী, ইয়াৰ প্ৰ'ডাক্ট, বিষয়াসকল, কৰ্মচাৰী বা আন মানুহৰ বিষয়ে নেতিবাচক বা তাচ্ছিল্যসূচক মন্তব্য নকৰিম। মই কোম্পানী তথা ডাইৰেক্ট চেলিং ব্যৱসায়ৰ প্ৰতি সন্মান প্ৰদৰ্শন কৰিম।

4. মই ৰিটেইল আউটলেটৰ মাধ্যমেৰে ভেষ্টিজৰ প্ৰ'ডাক্ট বিক্ৰী নকৰো।

5. মই মোৰ ডাউনলাইনক বোনাচ ৰেহাই/কমিচন ৰিফাণ্ডৰ বাবে প্ৰৰোচিত, উৎসাহিত প্ৰশ্ৰয় আৰু/বা নিৰ্দেশনা নিদিম।

মোৰ দ্বাৰা নিয়োগ কৰা ডিষ্ট্ৰিবিউটৰক সামগ্ৰী/সেৱা/পুস্তিকা বা বিক্ৰী প্ৰদৰ্শন সামগ্ৰী অযুক্তিকৰভাৱে বৃহৎ পৰিমাণত কিনিবলৈ উৎসাহিত নকৰো।

6. মই কোম্পানীৰ ট্ৰেড নাম(বোৰ), তথ্য, পুস্তিকা, বিজ্ঞাপন সামগ্ৰী আৰু মানুহৰ সমাৰেশ বা অন্যান্য সম্পদ তথা বৌদ্ধিক সম্পত্তিবোৰ কোম্পানীৰ বাহিৰে আন কোনো সংস্থাৰ পৰিচয় বা স্বাৰ্থৰ বাবে ব্যৱহাৰ নকৰো।

7. মই নিশ্চিত কৰিবলৈ চেষ্টা কৰিম যাতে মোৰ গ্ৰাহক আৰু সহযোগী ডিষ্ট্ৰিবিউটৰসকল কোম্পানীত প্ৰ'ডাক্ট আৰু সেৱাৰ ওপৰত সন্তুষ্ট।

8. মই সকলো সময়তে ভেষ্টিজ ডিষ্ট্ৰিবিউটৰৰ নিয়ম-নীতি মানি চলিম।

9. মই কোম্পানী আৰু সহযোগী ডিষ্ট্ৰিবিউটৰৰ খৰচত কোম্পানীৰ ব্যৱসায় বৃদ্ধিত প্ৰৱঞ্চনামূলক কোনো কাম নকৰো।

10. ডিষ্ট্ৰিবিউটৰশ্বিপ চলাই থাকোতে আৰু তাৰ পাছত, মই এনেকুৱা কাম নকৰো যাৰ ফলত কোম্পানীৰ সুখ্যাতি আৰু ব্যৱসায়িক স্বাৰ্থত বিৰূপ প্ৰভাৱ পৰিব পাৰে।

11. মই ভ্ৰান্তিমূলক, ছলাহী আৰু/বা অনায্য ব্যৱসায়িক চৰ্চা নকৰো।

12. উপভোক্তাৰ দ্বাৰা মোক প্ৰদান কৰা ব্যক্তিগত তথ্য সুৰক্ষিত কৰিবলৈ মই যথাযথ পদক্ষেপ গ্ৰহণ কৰিম।

## নীতিসমূহ / নিয়ম + বিধিসমূহ

তলত দিয়া নিয়ম আৰু বিধিসমূহ ভেষ্টিজ মাৰ্কেটিং প্ৰাইভেট লিমিটেড-ৰ (কোম্পানী) দ্বাৰা প্ৰণয়ন আৰু ৰূপায়ণ কৰা হৈছে যাতে ব্যৱসায় পৰিচালনা কৰা সময়ত ডিষ্ট্ৰিবিউটৰসকলৰ অধিকাৰ আৰু মৰ্যাদা সুৰক্ষিত কৰিব পাৰি। ভেষ্টিজৰ এজন দায়িত্বশীল আৰু নীতিনিষ্ঠ ডিষ্ট্ৰিবিউটৰ হিচাপে নিজকে গঢ়ি তুলিবলৈ আপুনি নিশ্চিতভাৱে নীতি/নিয়ম আৰু বিধিসমূহ বুজিব আৰু পালন কৰিব লাগিব; যিকোনো ধৰণৰ লঙ্ঘণৰ ফলত আপোনাৰ ডিষ্ট্ৰিবিউটৰশ্বিপ বাতিল কৰা হ'ব পাৰে।

কোম্পানীয়ে ইয়াৰ নীতিমালা, নিয়মাৱলী আৰু বিধিসমূহ কোনো আগতীয়া জাননী জাৰী নকৰাকৈ সংশোধন কৰাৰ অধিকাৰ সংৰক্ষিত ৰাখে। আপুনি সময় সময়ে কোম্পানীৰ ৱেবছাইট পৰিদৰ্শন কৰাটো আৰু শেহতীয়া নীতিমালা, নিয়মাৱলী আৰু বিধিসমূহ সম্বন্ধে অৱগত হৈ থকাটো আশা কৰা হয়।

### 1 এজন ডিষ্ট্ৰিবিউটৰ হোৱাৰ বাবে যোগ্যতা

**A.** ব্যক্তি

a. 18 বছৰ বা তাতোকৈ অধিক বয়সৰ ব্যক্তিয়ে কোম্পানীৰ ডিষ্ট্ৰিবিউটৰ হ'বৰ বাবে আবেদন কৰিব পাৰে।

b. আবেদন স্বীকাৰ বা অস্বীকাৰ কৰাৰ সিদ্ধান্ত লোৱাৰ ক্ষেত্ৰত কোম্পানীৰ সম্পূৰ্ণ স্বাধীন বিবেচনাৰ অধিকাৰ আছে।

c. কোম্পানীৰ ডিষ্ট্ৰিবিউটৰ এজেন্ট, প্ৰতিনিধি বা কৰ্মচাৰী নহয়। সম্পৰ্কটো হ'ল প্ৰিঞ্চিপাল টু প্ৰিঞ্চিপাল ভিত্তিত।

d. আবেদনকাৰীক এজন বিদ্যমান ডিষ্ট্ৰিবিউটৰে পৃষ্ঠপোষকতা কৰিবই লাগিব।

e. এই উদ্দেশ্যে স্বামী আৰু স্ত্ৰীক এটা একক হিচাপে ধৰা হয়।

f. এজন ডিষ্ট্ৰিবিউটৰৰ পুত্ৰ বা অবিবাহিতা কন্যাই ব্যৱসায়ত স্বতন্ত্ৰ ID-ৰে যোগদান কৰিব পাৰে, যদি পৃষ্ঠপোষকতাৰ লাইনটো তেওঁলোকৰ পৰিয়ালৰ* ID- ৰ অধীনত হয়। তেনেদৰে, পৰিয়ালৰ যিকোনো সদস্যই তেওঁলোকৰ পুত্ৰ/অবিবাহিতা কন্যাৰ অধীনত যোগদান কৰিব পাৰে।

**B. আইনী নিকায়** (যেনে, HUF, অংশীদাৰ প্ৰতিষ্ঠান, LLP, কোম্পানী, চ'ছাইটি আৰু ট্ৰাষ্ট)

a. তেনেকুৱা ক্ষেত্ৰত আইনী নিকায়ৰ নামত পঞ্জীয়ন কৰা হ'ব।

b. সংবিধান, চুক্তি, এচোছিয়েচনৰ ধাৰাৰ এটা প্ৰতিলিপি তথা প্ৰতিষ্ঠান/ইনকৰ্পোৰেচনৰ প্ৰমাণপত্ৰ, নিকায়ৰ বাবে যিয়েই প্ৰযোজ্য হ'ব, আৰু PAN কাৰ্ড আবেদনৰ সৈতে দাখিল কৰিব লাগিব। HUF-ৰ ক্ষেত্ৰত PAN কাৰ্ডেই পৰ্য্যাপ্ত হ'ব।

c. তেনেকুৱা নিকায়ৰ দায়বদ্ধতা আৰু স্বত্বসমূহ দেশৰ আইন অনুযায়ী হ'ব। কোম্পানীৰ দ্বাৰা পৰিশোধ কৰা বোনাচসমূহ নিকায়ৰ নামত কৰা হ'ব।

d. নিকায়ৰ সংবিধানৰ যিকোনো পৰিৱৰ্তন কোম্পানীক জনাব লাগিব আৰু নতুন/উন্নীত কৰা সংবিধান সহ নতুন আবেদন পত্ৰ দাখিল কৰিব লাগিব। তেনেকুৱা নতুন সংযোজন বা সংবিধানৰ পঞ্জীয়ন অস্বীকাৰ কৰাৰ অধিকাৰ সংৰক্ষিত ৰাখে।

e. কোম্পানীয়ে লিখিতভাৱে আগতীয়াকৈ জনোৱা কেৱল নিকায়ৰ দ্বাৰা কৰ্তৃত্বপ্ৰাপ্ত এজন ব্যক্তিৰ সৈতেহে যোগাযোগ কৰিব।

f. যদি নিকায়টো ভংগ/ব্যৱসায় বন্ধ হয়/দেউলিয়া হয়, বোনাচ/এৰিয়াৰ, যদি দিব লগা থাকে, তেন্তে কোম্পানীক গ্ৰহণযোগ্য প্ৰমাণ দাখিল কৰিলে উত্তৰাধিকাৰী নিকায়ক পৰিশোধ কৰা হ'ব। এই ক্ষেত্ৰত দাবীসমূহ নিকায়টো ভংগ/ব্যৱসায় বন্ধ হয়/দেউলিয়াৰ হোৱাৰ 90 দিনৰ পাছত গ্ৰহণ কৰা নহ'ব।

### 2 বোনাচ পৰিশোধ

a. সকলো ডিষ্ট্ৰিবিউটৰৰ বাবে বোনাচসমূহ এটা কেলেণ্ডাৰ মাহৰ এবাৰ আৰু সেই প্ৰাসংগিক চেলছ মাহটোত হোৱা ব্যৱসায়ৰ ওপৰত হিচাপ কৰা হয়। কোম্পানীৰ নীতি অনুযায়ী পঞ্জীভুক্ত ডিষ্ট্ৰিবিউটৰলৈ পে আউটসমূহ জাৰী কৰা হ'ব।

b. মাহিলি পে আউটসমূহ পোৱাৰ পাছত ডিষ্ট্ৰিবিউটৰে হিচাপৰ নিৰ্ভুলতা পৰীক্ষা কৰা উচিত। এই ক্ষেত্ৰত থকা যিকোনো প্ৰশ্ন কোম্পানীৰ দ্বাৰা পে আউট জাৰী কৰাৰ পৰা 14 দিনৰ ভিতৰত কৰা উচিত। এনেকুৱা কোনো প্ৰশ্ন নথকাৰ ক্ষেত্ৰত বিবৃতিত উল্লেখ কৰা পৰিমাণবোৰ চূড়ান্ত আৰু বাধ্যতামূলক হ'ব।

c. ঠিকনা আৰু বেংকৰ বিৱৰণ প্ৰদান কৰাটো ডিষ্ট্ৰিবিউটৰসকলৰ বাবে বাধ্যতামূলক। কোম্পানীৰ নিৰ্দেশনা অনুযায়ী তেওঁলোকে আমালৈ তেওঁলোকৰ ঠিকনা/বেংকৰ বিৱৰণ/ম'বাইল নং/ইমেইল আইডি পৰিৱৰ্তন সম্পৰ্কে জনাবই লাগিব।

d. বোনাচ পাবলৈ, ডিষ্ট্ৰিবিউটৰে বাধ্যতামূলকভাৱে তেওঁৰ বেংকৰ বিৱৰণ ভেষ্টিজক প্ৰদান কৰিবই লাগিব। যদি ডিষ্ট্ৰিবিউটৰে বেংকৰ বিৱৰণ প্ৰদান কৰিবলৈ ব্যৰ্থ হয়, ভেষ্টিজৰ বোনাচ পৰিশোধ বন্ধ ৰখাৰ অধিকাৰ থাকিব।

### 3 লঙ্ঘণৰ মোকাবিলা কৰাৰ প্ৰক্ৰিয়াসমূহ

কোম্পানীয়ে ইয়াৰ নীতি আৰু নিয়ম আৰু বিধিসমূহৰ লঙ্ঘণৰ সৈতে জড়িত পৰিস্থিতিৰ মোকাবিলা কৰাৰ বাবে নিৰ্দেশনা আৰু পৰামৰ্শ প্ৰদান কৰে। কোম্পানীয়ে জড়িত ডিষ্ট্ৰিবিউটৰৰ বিৰুদ্ধে যথাযথ কাৰ্যব্যৱস্থাও গ্ৰহণ কৰিব। যিকোনো লঙ্ঘণ হোৱাৰ ক্ষেত্ৰত, নিম্নলিখিত প্ৰক্ৰিয়াসমূহৰ ওপৰত লক্ষ্য ৰখাটো প্ৰয়োজন:

a. কোম্পানীৰ যিকোনো নীতি/নিয়ম আৰু বিধিৰ লঙ্ঘণ হোৱাটো জানিলে তৎক্ষণাৎ অভিযোগ দাখিল কৰক। লঙ্ঘণৰ বিষয়ে বিশদ বিৱৰণ দি লিখিতভাৱে অভিযোগ জনাব লাগিব আৰু তেওঁ অভিযোগটো সম্পৰ্কে আপলাইনকো জনাব লাগিব।

b. অভিযোগ পোৱাৰ পাছত জড়িত ডিষ্ট্ৰিবিউটৰক কোম্পানীয়ে তৎক্ষণাৎ জাননী জাৰী কৰিব, যাতে ঘটনাটো সম্পৰ্কে শীঘ্ৰেই ব্যাখ্যা কৰিব পাৰে। কোম্পানীয়ে যথাযথ হ'লে তেনেকুৱা কাৰ্যব্যৱস্থা স্ব-প্ৰণোদিতভাৱে ল'ব পাৰে।

c. পৰ্যাপ্ত তথ্য নথকাৰ ক্ষেত্ৰত কোম্পানীয়ে দুয়ো পক্ষৰ পৰা অধিক তথ্য বিচাৰিব পাৰে।

d. যদি কোম্পানীয়ে পতিয়ন যায় যে স্বাভাৱিক পৰিস্থিতি বজাই ৰাখিবলৈ একমাত্ৰ উপায় হ'ল ডিষ্ট্ৰিবিউটৰশ্বিপ বাতিল কৰা বা বৰ্খাস্ত কৰা, তেন্তে কোম্পানীয়ে সংশ্লিষ্ট ডিষ্ট্ৰিবিউটৰক ইয়াৰ সিদ্ধান্ত লিখিতভাৱে জনাব। চিঠিখন পঞ্জীয়ন কৰা ডাক/কুৰিয়াৰৰ মাধ্যমত কোম্পানীৰ ডাটাবেচত থকা অন্তিম ঠিকনাত প্ৰেৰণ কৰা হ'ব আৰু বিতৰণৰ প্ৰমাণ হিচাপে পোষ্ট মাৰ্ক লোৱা হ'ব। কোম্পানীয়ে বৰ্খাস্ত কৰা ডিষ্ট্ৰিবিউটৰৰ পৰা ক্ষতিপূৰণ বিচৰা, পুনৰুদ্ধাৰ, ক্ষতি আৰু আইনী খৰচ আদিকে ধৰি প্ৰয়োজনীয় কাৰ্যব্যৱস্থা গ্ৰহণ কৰাৰ অধিকাৰ সংৰক্ষিত ৰাখে। অৱশ্যে, কোম্পানীয়ে ওপৰোক্ত সিদ্ধান্তৰ যিকোনো অংশ সংশোধন কৰাৰ অধিকাৰ সংৰক্ষিত ৰাখে, যেতিয়াই সেয়া কৰাটো সঠিক বুলি কোম্পানীয়ে অনুভৱ কৰে।

## 4 ডিষ্ট্ৰিবিউটৰশ্বিপৰ নৱীকৰণ

1. কোম্পানীয়ে কোনো নৱীকৰণ মাচুল নলয়। যদি ডিষ্ট্ৰিবিউটৰে পদত্যাগ কৰে আৰু পদত্যাগ কোম্পানীৰ দ্বাৰা গ্ৰহণ কৰা হয় তেন্তে ডিষ্ট্ৰিবিউটৰশ্বিপ প্ৰত্যাহাৰ কৰা হয়। যদি ডিষ্ট্ৰিবিউটৰশ্বিপে দুই বছৰতকৈ অধিক কাল কোম্পানীৰ সৈতে কোনো ব্যৱসায় নকৰে বা কোম্পানীৰ নীতিসমূহ লঙ্ঘণ কৰে তেন্তে কোম্পানীয়ে ডিষ্ট্ৰিবিউটৰশ্বিপ বাতিল কৰিব।

2. ওপৰৰ ঘটনাত, ডিষ্ট্ৰিবিউটৰে তেওঁৰ দাবীসমূহ ওপৰোক্ত ঘটনাৰ এমাহৰ ভিতৰত দাখিল কৰিব লাগিব, তাৰপাছত কোনো দাবী গ্ৰহণ কৰা নহ'ব। কোম্পানীৰ নীতি অনুযায়ী দাবীসমূহ নিস্পত্তি কৰা হ'ব।

3. ভেষ্টিজৰ দ্বাৰা ডিষ্ট্ৰিবিউটৰক দিব লগা যিকোনো টকা দাবী কৰাৰ সময়সীমা হ'ল 3 বছৰ। 3 বছৰ পাছত কোনো দাবী ভেষ্টিজৰ দ্বাৰা গ্ৰাহ্য কৰা নহ'ব।

## 5 KYC

কোম্পানীত যোগদান কৰা ডিষ্ট্ৰিবিউটৰে KYC সম্পূৰ্ণ কৰাৰ বাবে তলত উল্লেখ কৰা যিকোনো নথি দাখিল কৰিব লাগিব - আধাৰ কাৰ্ড, ড্ৰাইভিং লাইচেন্স, ভোটাৰ ID কাৰ্ড, পাছপোৰ্ট, ৰেচন কাৰ্ড, বা ৰাজ্য চৰকাৰ বা কেন্দ্ৰীয় চৰকাৰৰ দ্বাৰা জাৰী কৰা আন যিকোনো নথি, যিবোৰ সত্যাপণ কৰা যাব।

KYC নথি সত্যাপণ নকৰালৈকে ডিষ্ট্ৰিবিউটৰে কোম্পানীৰ সৈতে কোনো ব্যৱসায়িক লেনদেন কৰিব নোৱাৰিব।

## 6 বৈধ ID

যিবোৰ ডিষ্ট্ৰিবিউটৰে কোম্পানীত যোগদান কৰিব, ID-ৰ বৈধতা ৰক্ষা কৰিবলৈ সেইবোৰে 30 দিনৰ ভিতৰত কমেও 30 PV-ৰ ব্যৱসায় কৰিব লাগিব (পুস্তিকা আৰু ব্যৱসায়ৰ সঁজুলিবোৰ নধৰাকৈ কেৱল প্ৰ'ডাক্টসমূহ)। যদি সেয়া কৰা নহয়, তেন্তে 30 দিনৰ পাছত সেই ডিষ্ট্ৰিবিউটৰৰ ID অবৈধ বুলি ধৰা হ'ব।

## 7 ডিষ্ট্ৰিবিউটৰৰ দ্বাৰা প্ৰতিনিধিত্ব

a. ডিষ্ট্ৰিবিউটৰে কোম্পানীৰ সৈতে সংশ্লিষ্ট আৰু কোম্পানীৰ প্ৰ'ডাক্ট আৰু সেৱাৰসমূহৰ উপকাৰীতা সম্বন্ধে অতিৰঞ্জিত বা ভুল প্ৰতিনিধিত্ব নকৰিব।

b. ডিষ্ট্ৰিবিউটৰে জানিব লাগিব আৰু আনকো বুজাব লাগিব যে উপাৰ্জন কেৱল কঠোৰ পৰিশ্ৰম, দায়বদ্ধতা আৰু নিৰবিচ্ছিন্ন প্ৰচেষ্টাৰ দ্বাৰাহে হয়।

c. প্ৰ'ডাক্ট, গুণমান আৰু উপাৰ্জন সম্পৰ্কে কোম্পানীৰ প্লেন আৰু পুস্তিকাত উল্লেখ কৰাবোৰৰ বাহিৰে ডিষ্ট্ৰিবিউটৰে আন দাবী নকৰিব। ভুল ঘোষণা কৰা বা ভুল প্ৰতিনিধিত্ব কৰাৰ ফলত বা ডিষ্ট্ৰিবিউটৰৰ কাৰ্য/নিষ্ক্ৰিয়তাৰ ফলস্বৰূপে হোৱা যিকোনো সুনাম নষ্ট/ক্ষতিৰ বাবে ক্ষতিপূৰণ বিচৰাকৈ ধৰি যিকোনো কাৰ্যব্যৱস্থা লোৱাৰ বাবে কোম্পানীৰ নিঃচৰ্ত অধিকাৰ থাকিব।

d. ডিষ্ট্ৰিবিউটৰক 30 দিনৰ কুলিং অফ সময় প্ৰদান কৰা হ'ব।

## 8 লেবেলিং, পেকেজিং আৰু মূল্য নিৰ্ধাৰণ

কোম্পানীৰ দ্বাৰা কৰা/নিৰ্ধাৰণ কৰা প্ৰ'ডাক্টৰ বৰ্ণনা, লেবেলিং, মূল্য, পেজেকিং আদি চূড়ান্ত আৰু অলঙ্ঘনীয়। এই বিষয়বোৰৰ ওপৰত কোনো পৰিৱৰ্তনৰ অনুমতি দিয়া নহয়। ডিষ্ট্ৰিবিউটৰে নতুন লেবেল লগোৱা, নতুনকৈ পেক কৰা, বিৱৰণ সলনি কৰা বা প্ৰ'ডাক্ট খোলাকৈ বা কোম্পানীয়ে প্ৰদান নকৰা ৰূপত বিক্ৰী কৰা বা কোম্পানীয়ে নিৰ্ধাৰণ নকৰা মূল্যত বিক্ৰী কৰা আদি কাৰ্যৰ বাবে অনুমোদিত নহয়।ডিষ্ট্ৰিবিউটৰৰ দ্বাৰা এই নিয়ম ভংগ কৰা হ'লে অনুসন্ধান কৰা হ'ব আৰু যথাযথ কাৰ্যব্যৱস্থা লোৱা হ'ব।

## 9 ক্ৰছ স্পন্সৰিং

ডিষ্ট্ৰিবিউটৰশ্বিপৰ ক্ৰছ স্পন্সৰিঙৰ অনুমতি দিয়া নহয়। এই প্ৰসংগত "ক্ৰছ স্পন্সৰিং" মানে হ'ল:

a. আন এটা গ্ৰুপৰ পৰা বিদ্যমান ডিষ্ট্ৰিবিউটৰৰ সৈতে ছাইন আপ কৰা।

b. স্বামী ইতিমধ্যে এজন ডিষ্ট্ৰিবিউটৰ হৈ থকা অৱস্থাত স্ত্ৰীক ডিষ্ট্ৰিবিউটৰ হিচাপে ছাইন আপ কৰা বা তাৰ বিপৰীতটো।

c. এজনৰ ডিষ্ট্ৰিবিউটৰশ্বিপ বৈধ হৈ থকা অৱস্থাতেই তেওঁৰ ডিষ্ট্ৰিবিউটৰশ্বিপ চলাবলৈ আন এজন স্পন্সৰৰ অধীনত ছাইন আপ কৰা।

d. ব্যৱসায় কৰিবলৈ তেওঁৰ ডিষ্ট্ৰিবিউটৰশ্বিপ ব্যৱহাৰ কৰিবলৈ আন লোকক বা আত্মীয়ক অনুমতি দিয়া।

e. যদি পুত্ৰ বা অবিবাহিত কন্যাই তেওঁলোকৰ নিজৰ ID ব্যৱহাৰ কৰি ব্যৱসায়ত যোগদান কৰে, কিন্তু তেওঁলোকৰ স্পন্সৰশ্বিপৰ লাইনটো পৰিয়ালৰ* ID-ৰ অধীনত নহয়, তেনে ঘটনাবোৰ ক্ৰছ স্পন্সৰিং হিচাপে ধৰা হ'ব আৰু পুত্ৰ/অবিবাহিত কন্যাৰ দ্বাৰা লোৱা ID বাতিল কৰা হ'ব।

পৰিয়ালৰ যিকোনো সদস্যই তেওঁলোকৰ পুত্ৰ/অবিবাহিত কন্যাৰ স্পন্সৰশ্বিপ লাইনত যোগদান নকৰিলে একেই নিয়ম প্ৰযোজ্য হ'ব।

ক্ৰছ স্পন্সৰিঙৰ ক্ষেত্ৰত নিম্নলিখিত কাৰ্যব্যৱস্থা লোৱা হ'ব:

i. যদি আন এটা ID লোৱাৰ অভিযোগ ছমাহতকৈও অধিক পাছত পোৱা হয়, তেন্তে সেয়া গ্ৰহণ কৰা নহ'ব। তেনেকুৱা অভিযোগ পোৱাৰ ক্ষেত্ৰত, ডিষ্ট্ৰিবিউটৰৰ এটা ID বাতিল কৰা হ'ব, যিটোৱেই ঠিক বুলি ভবা হয় আৰু নেটৱৰ্কটো সক্ৰিয় ID তেই থাকিব।

ii. যদি কোম্পানীয়ে ছমাহৰ ভিতৰত ক্ৰছ স্পন্সৰিঙৰ অভিযোগ পায়, কোম্পানীয়ে ডিষ্ট্ৰিবিউটৰৰ দ্বিতীয়টো আৰু পাছৰ ID টো বাতিল কৰিব আৰু দ্বিতীয়টো/পাছৰ ID-ৰ অধীনৰ বিকাশ কৰা নেটৱৰ্কসমূহ কৰ্তৃপক্ষৰ সিদ্ধান্ত অনুযায়ী প্ৰথম ID লৈ স্থানান্তৰ কৰা হ'ব বা বাতিল কৰা ID-ৰ অধীনতেই থাকিব।

iii. বিদ্যমান ডিষ্ট্ৰিবিউটৰৰ মাজত ক্ৰছ স্পন্সৰিং কৰা ডিষ্ট্ৰিবিউটৰৰ ডিষ্ট্ৰিবিউটৰশ্বিপ কোম্পানীয়ে বাতিল কৰিব আৰু বোনাচ পৰিশোধ স্থগিত ৰাখিব। তাৰোপৰি ডিষ্ট্ৰিবিউটৰে যদি কোনো DLCP / MINI DLCP / DCC চলাই আছে, তেন্তে কোম্পানীয়ে সেয়া বন্ধ কৰিব।

অৱশ্যে, যদি অনুসন্ধানত প্ৰকাশ হয় যে কোনো ID সেই ধৰণে পঞ্জীয়ন কৰা হৈছিল, যিটো মেনেজমেন্টে অনৈতিক/ডিষ্ট্ৰিবিউটৰে নজনাকৈ কৰা হৈছিল, কোম্পানীয়ে তেনে ID/ID বোৰ বাতিল কৰিব আৰু বাতিল কৰা ID-ৰ নেটৱৰ্ক পৰৱৰ্তী ওপৰৰ ধাপৰ ডিষ্ট্ৰিবিউটৰৰ লৈ যোৱা হ'ব বা বাতিল নকৰা ID-ৰ অধীনলৈ লৈ যোৱা হ'ব।

তাৰোপৰি যি ডিষ্ট্ৰিবিউটৰে ক্ৰছ স্পন্সৰিং আৰম্ভ কৰিছিল তেওঁৰ বিৰুদ্ধে কোম্পানীৰ দ্বাৰা অনুশাসনমূলক ব্যৱস্থা লোৱা হ'ব আৰু ফলস্বৰূপে কোম্পানীয়ে বাতিল কৰা ডিষ্ট্ৰিবিউটৰৰ বোনাচ পৰিশোধ বন্ধ ৰাখিব আৰু ডিষ্ট্ৰিবিউটৰ ওপৰত জৰিমনা আৰোপ কৰিব।

ওপৰোক্ত বিষয়ত কোম্পানীৰ সিদ্ধান্তই চূড়ান্ত হ'ব।

## 10 নিষ্ক্ৰিয় ডিষ্ট্ৰিবিউটৰ

যিকোনো লেবেল অৰ্জন কৰা নিৰ্বিশেষে, যদি কোনো ডিষ্ট্ৰিবিউটৰে বিগত নমাহত কোনো অৰ্ডাৰ দিয়া দেখা নাযায়, তেন্তে তেওঁক 'নিষ্ক্ৰিয় ডিষ্ট্ৰিবিউটৰ' হিচাপে ধৰা হ'ব আৰু সেই ডিষ্ট্ৰিবিউটৰৰ বিষয়ে সিদ্ধান্ত গ্ৰহণ (বাতিলকে ধৰি) অধিকাৰ সংৰক্ষিত ৰাখে। নিষ্ক্ৰিয় সময়চোৱা সম্পূৰ্ণ হ'লে ডিষ্ট্ৰিবিউটৰে আগৰ ID বাতিলকৰণৰ পাছত যিকোনো ডিষ্ট্ৰিবিউটৰৰ অধীনত যোগাদান কৰিব পাৰে।

## 11 ডিষ্ট্ৰিবিউটৰশ্বিপৰ ম্যাদ উকলা/ বাতিল হোৱা/পদত্যাগ/ উত্তৰাধিকাৰ

a. যিকোনো ডিষ্ট্ৰিবিউটৰেই এখন আবেদন দাখিল কৰি ডিষ্ট্ৰিবিউটৰশ্বিপৰ পৰা পদত্যাগ কৰিব পাৰে। তেনেকুৱা যোগাযোগৰ প্ৰাপ্তিস্বীকাৰ কৰা মানেই পদত্যাগ কৰা বুলি বিবেচনা হয়। যি ব্যক্তিয়ে পদত্যাগ কৰে বা যাৰ ডিষ্ট্ৰিবিউটৰশ্বিপ বাতিল হয়, তেওঁ পদত্যাগ কৰাৰ বা অন্তিম বাতিল কৰাৰ তাৰিখৰ পৰা 6 মাহ পাছত (কুলিং পিৰিয়ড) ডিষ্ট্ৰিবিউটৰশ্বিপৰ বাবে পুনৰ আবেদন কৰিব পাৰে। তেনেকুৱা ক্ষেত্ৰত, ব্যক্তিজনে ডিষ্ট্ৰিবিউটৰশ্বিপৰ বাবে পুনৰ আবেদন কৰাৰ আগতে তেওঁৰ থকা ডাউনলাইন বা ব্যৱসায়ৰ বিষয়ে কোনো দাবী কৰিব নোৱাৰিব।

b. যদি ডিষ্ট্ৰিবিউটৰে কোনো পূৰ্বানুমান কৰিব নোৱৰা পৰিস্থিতিৰ বাবে পদত্যাগ কৰে, কোম্পানীৰ সন্তুষ্টি সাপেক্ষে, তেন্তে তেওঁ কেৱল তেজৰ সম্পৰ্ক থকা আত্মীয়লৈহে তেওঁৰ ডিষ্ট্ৰিবিউটৰশ্বিপ হস্তান্তৰ কৰিব পাৰে (যথাযথ প্ৰমাণ আৰু নথি পত্ৰৰ আৱশ্যক হ'ব)। যদি আবেদনকাৰী তেজৰ সম্পৰ্ক থকা ব্যক্তি হয় তেন্তে সহ-আবেদনকাৰী হ'ব আগৰ ডিষ্ট্ৰিবিউটৰ বা তেজৰ সম্পৰ্কীয় ব্যক্তিৰ স্বামী/স্ত্ৰী। এই বিষয়ত কোম্পানীৰ সিদ্ধান্তই চূড়ান্ত হ'ব।

c. সাধাৰণ পৰিস্থিতিত ডিষ্ট্ৰিবিউটৰশ্বিপৰ ম্যাদ উকলে ডিষ্ট্ৰিবিউটৰৰ মৃত্যু হ'লে বা প্ৰমাণিত অক্ষমতা হোৱাৰ ক্ষেত্ৰত। অৱশ্যে, মৃতকৰ মনোনীত ব্যক্তিয়ে ল'বলৈ আগ্ৰহী হ'লে কোম্পানীয়ে ডিষ্ট্ৰিবিউটৰশ্বিপ প্ৰদান কৰিব পাৰে। যদি মূল ডিষ্ট্ৰিবিউটৰৰ মৃত্যু বা অক্ষমতা হোৱাৰ 3 মাহলৈ মনোনীত ব্যক্তিয়ে ডিষ্ট্ৰিবিউটৰশ্বিপ পৰিৱৰ্তনলৈ আগ্ৰহ প্ৰদৰ্শন নকৰে, তেন্তে মৃতকৰ উত্তৰাধিকাৰীয়ে যথাযথ নথিপত্ৰ দাখিল কৰি আগ্ৰহ প্ৰকাশ কৰিলে কোম্পানীয়ে ডিষ্ট্ৰিবিউটৰশ্বিপ প্ৰদান কৰিব পাৰে। অৱশ্যে, ডিষ্ট্ৰিবিউটৰৰ মৃত্যু বা অক্ষমতাৰ কথা জনাৰ 6 মাহ পাছত মনোনীত ব্যক্তি বা উত্তৰাধিকাৰীৰ পৰা কোনো পৰিস্থিতিতেই তেনেকুৱা ডিষ্ট্ৰিবিউটৰশ্বিপৰ আবেদন গ্ৰহণ কৰা নহ'ব।

d. কোম্পানীৰ নীতি/ নিয়ম আৰু বিধিত উল্লেখিত কাৰণ অনুযায়ী কোম্পানীৰ দ্বাৰা ডিষ্ট্ৰিবিউটৰশ্বিপ বাতিল/সমাপ্ত, দাবীহীন ঘোষণা কৰা বা নিলম্বন কৰা হ'ব পাৰে।

## 12 বিবাহ

a. ডিষ্ট্ৰিবিউটৰশ্বিপৰ ক্ষেত্ৰত কোম্পানীয়ে স্ত্ৰী আৰু স্বামীক এটা একক ইউনিট হিচাপে বিবেচনা কৰে।

b. এনে পৰিস্থিতি উদ্ভব হ'লে, যেতিয়া দুজন স্বতন্ত্ৰ বিদ্যমান ডিষ্ট্ৰিবিউটৰ বিবাহ পাশত আৱদ্ধ হয়, তেতিয়া দুয়োজনেই ডিষ্ট্ৰিবিউটৰশ্বিপ সমৰ্পণ কৰা বুলি ধৰি লোৱা হয়। বিবাহ পাশত আবদ্ধ হোৱা ডিষ্ট্ৰিবিউটৰ দুজনে, বিবাহৰ 30 দিনৰ ভিতৰত পৃথকে বিবাহৰ কথা কোম্পানীক জনাব। এই অনুচ্ছেদৰ উপ-ধাৰাৰ অন্যান্য চৰ্তসমূহ সাপেক্ষে এজনে বিবাহৰ তাৰিখৰ পৰা 30 দিনৰ ভিতৰত পদত্যাগ কৰা উচিত, অন্যথায় দুয়োজনৰ ডিষ্ট্ৰিবিউটৰশ্বিপ বাতিল কৰা হ'ব। বিবাহৰ কাৰণে পদত্যাগ কৰা ডিষ্ট্ৰিবিউটৰৰ মূল ডাউনলাইনৰ গঠন এই উপ-ধাৰা অনুযায়ী অপৰিবৰ্তিত থাকিব। অৱশ্যে, কোম্পানীৰ সৈতে সম্পৰ্ক বজাই ৰাখিবলৈ আৰু ভেষ্টিজৰ ব্যৱসায় পৰিচালনা কৰিবলৈ কোম্পানীৰ বিধান অনুযায়ী উমৈহতীয়া ডিষ্ট্ৰিবিউটৰশ্বিপৰ বাবে দম্পত্তিটোৱে 'অংশীদাৰ চুক্তিৰ" মাধ্যমত 'অংশীদাৰ প্ৰতিষ্ঠান' গঠন কৰিব পাৰে আৰু তেওঁলোকৰ বিবাহৰ পৰা 30 দিনৰ ভিতৰত 'অংশীদাৰ প্ৰতিষ্ঠান' ৰ বাবে ডিষ্ট্ৰিবিউটৰশ্বিপৰ যৌথ আবেদন কৰিব পাৰে। এই অংশীদাৰিত্বই পদত্যাগ নকৰা ডিষ্ট্ৰিবিউটৰৰ ডিষ্ট্ৰিবিউটৰশ্বিপটো প্ৰতিষ্ঠাপন কৰিব আৰু গাথনিটো অপৰিবৰ্তিত থাকিব।

c. দুজন বিদ্যমান ডিষ্ট্ৰিবিউটৰৰ বিবাহ হোৱাৰ ক্ষেত্ৰত আৰু তেওঁলোক 'অংশিদাৰীত্ব' দিয়াৰ ক্ষেত্ৰত (তেওঁলোকৰ কেডাৰ/লেভেল নিৰ্বিশেষে), তেওঁলোকৰ যৌথ বেংক একাউন্ট থাকিব আৰু সেই তথ্যবোৰ বিবাহৰ 60 দিনৰ ভিতৰত কোম্পানীক জনাব লাগিব। কোম্পানীয়ে সেই তথ্যবোৰ পোৱাৰ পাছত 'অংশীদাৰিত্ব'ৰ দ্বাৰা উপাৰ্জন কৰা ক্ৰেডিট পেআউট/বোনাচ সেই একাউন্টত জমা কৰিব। যদি একাউন্ট খোলা নহয়, কোম্পানীয়ে কোনো বোনাচ পৰিশোধ নকৰে আৰু সেই সময়ত অংশীদাৰ প্ৰতিষ্ঠানৰ দ্বাৰা অৰ্জিত বোনাচৰ ওপৰত কোনো স্বত্ব নাথাকিব। অৱশ্যে, এই উপ-নিয়ম এনেকুৱা দম্পতিৰ দুয়োজনে ষ্টাৰ ডাইৰেক্টৰ আৰু কাৰ ফাণ্ড অৰ্জনকাৰী হ'লে প্ৰযোজ্য নহ'ব, যদিহে তেওঁলোকে এনেকুৱা ব্যৱস্থা নিবিচাৰে।

d. যদি দুয়োজন ডিষ্ট্ৰিবিউটৰেই ষ্টাৰ ডাইৰেক্টৰ আৰু কাৰ ফাণ্ড অৰ্জনকাৰী হয়, তেন্তে তেওঁলোকৰ স্বতন্ত্ৰ ডিষ্ট্ৰিবিউটৰশ্বিপ মূল অৱস্থাত পৃথকে ৰাখিব পৰা যাব। অৱশ্যে দুজনৰ এজনে ডিষ্ট্ৰিবিউটৰশ্বিপ/ষ্টাৰ ডাইৰেক্টৰশ্বিপৰ পৰা পদত্যাগ কৰিব পাৰে আৰু দম্পতি হালে "অংশীদাৰত্ব"ৰ মাধ্যমত একক ডিষ্ট্ৰিবিউটৰশ্বিপৰ বাবে আবেদন কৰিব পাৰে (দুয়োজনেই অংশীদাৰ হিচাপে)। এই অংশীদাৰিত্বই পদত্যাগ নকৰা ডিষ্ট্ৰিবিউটৰৰ ডিষ্ট্ৰিবিউটৰশ্বিপটো প্ৰতিষ্ঠাপন কৰিব আৰু গাথনিটো অপৰিবৰ্তিত থাকিব। এনেকুৱা ক্ষেত্ৰত, বিবাহৰ কাৰণে পদত্যাগ কৰা ডিষ্ট্ৰিবিউটৰৰ মূল ডাউনলাইনৰ গঠন এই উপ-ধাৰা অনুযায়ী অপৰিবৰ্তিত থাকিব। আনকি এই ক্ষেত্ৰতো, বিবাহ পাশত আবদ্ধ হোৱা ডিষ্ট্ৰিবিউটৰ দুয়োজনেই, বিবাহৰ 30 দিনৰ ভিতৰত পৃথকে বিবাহৰ কথা কোম্পানীক জনাব।

e. যদি তেনেকুৱা দম্পতিয়ে বিবাহৰ 30 দিনৰ ভিতৰত কোনো 'অংশীদাৰ প্ৰতিষ্ঠান' গঠন নকৰে, বা যিকোনো এজনে কোম্পানীক বিবাহৰ বিষয়ে নজনায়, কোম্পানীয়ে তেওঁলোকৰ ডাউনলাইন/নেটৱৰ্কত যথাযথ পৰিৱৰ্তন কৰাৰ আৰু তেওঁলোকৰ দুটা ডিষ্ট্ৰিবিউটৰশ্বিপৰ ব্যৱসায় একত্ৰিত কৰাৰ অধিকাৰ সংৰক্ষিত ৰাখে আৰু উচিত বিবেচনা কৰিলে কোম্পানীয়ে ডিষ্ট্ৰিবিউটৰশ্বিপ বাতিলো কৰিব পাৰে।

## 13 পৃথকীকৰণ

'অংশীদাৰত্ব প্ৰতিষ্ঠান" হিচাপে ডিষ্ট্ৰিবিউটৰশ্বিপ গঠন কৰা দম্পতিৰ মাজত বিবাহ বিচ্ছেদ হ'লে, ডিষ্ট্ৰিবিউটৰশ্বিপৰ অংশসমূহ 'অংশীদাৰ চুক্তি' অনুযায়ী নায্যভাৱে ভাগ কৰি দিয়া বা স্থানান্তৰ কৰা হ'ব। 'অংশীদাৰ প্ৰতিষ্ঠান'ৰ ডিষ্ট্ৰিবিউটৰশ্বিপৰ তেনেকুৱা পৰিৱৰ্তনৰ ক্ষেত্ৰত কেৱল উপযুক্ত আদালতৰ পৰা 'ডিক্ৰী অব ডিভ'ৰ্চ' পোৱাৰ 90 দিনৰ পাছতহে কোম্পানীয়ে কাৰ্যব্যৱস্থা পৰিৱৰ্তন। বিবাহ বিচ্ছেদৰ প্ৰক্ৰিয়া আৰম্ভ হোৱাৰ তাৰিখৰ পৰা দম্পতিহালৰ অংশীদাৰ প্ৰতিষ্ঠানৰ ডিষ্ট্ৰিবিউটৰশ্বিপৰ নিলম্বিত কৰা হ'ব আৰু বিচ্ছেদ প্ৰক্ৰিয়া অমীমাংসিত হৈ থকা কালত, কোম্পানীয়ে নিজৰ বিবেচনাত, বিশেষ ব্যৱস্থা হিচাপে দুয়ো পক্ষকে নতুন ডিষ্ট্ৰিবিউটৰ হিচাপে ভেষ্টিজ ব্যৱসায় পৃথকে কৰিবলৈ অনুমতি (কুলিং পিৰিয়ড অতিক্ৰম কৰাটো নধৰাকৈ) দিব পাৰে। আদালতৰ ৰায় পোৱাৰ পাছত, আদালতে যাৰ নামত ডিষ্ট্ৰিবিউটৰশ্বিপ অব্যাহত ৰখাৰ অনুমোদন দিয়ে, তেওঁৰ নিলম্বন উঠাই লোৱা হ'ব আৰু তেওঁ ডিষ্ট্ৰিবিউটৰশ্বিপ চলাই যাব আৰু অংশীদাৰত্ব ভংগ হ'ব। যদি ৰায়ত এই কথাটো উল্লেখ কৰা নহয়, তেন্তে অংশীদাৰ ডিষ্ট্ৰিবিউটৰশ্বিপ বাতিল কৰা হ'ব।

যি ক্ষেত্ৰত বিবাহিত দম্পতি ডিষ্ট্ৰিবিউটৰ আৰু সহ-আবেদনকাৰী হয় আৰু তেওঁলোকে বিবাহ বিচ্ছেদৰ বাবে আবেদন কৰে, সহ-আবেদনকাৰীৰ ব্যৱসায়ৰ কোনো অধিকাৰ নাথাকিব আৰু ব্যৱসায় ডিষ্ট্ৰিবিউটৰৰ হৈ থাকিব।

বিবাহ বিচ্ছেদ আনুষ্ঠানিক হ'লে, সহ-আবেদনকাৰীৰ নাম ছিষ্টেমৰ পৰা আঁতৰোৱা হ'ব।

## 14 ৰেহাই

a. কোম্পানীৰ নিয়ম আৰু বিধিত উল্লেখিত কোনো অধিকাৰ বা ডিষ্ট্ৰিবিউটৰ এপ্লিকেচন চুক্তি সাব্যস্ত কৰিবলৈ কোম্পানী ব্যৰ্থ হ'লেও, সেইবোৰ যথাযথভাৱে পালনৰ দাবী কৰিবলৈ কোম্পানীৰ অধিকাৰসমূহ সংৰক্ষিত থাকিব।

b. কোম্পানীৰ দ্বাৰা প্ৰদান কৰা যিকোনো ৰেহাই কেৱল কোম্পানীৰ অনুমোদিত ব্যক্তিৰ দ্বাৰা লিখিত থাকিলেহে প্ৰযোজ্য হ'ব।

## 15 নিষিদ্ধ আইন

A এজন ডিষ্ট্ৰিবিউটৰে এইবোৰ নকৰিব

a. কোম্পানীৰ নামত বা কোম্পানীৰ হৈ কোনো দায়বদ্ধতা বা ঋণ লোৱা।

b. কোম্পানীৰ নামত কোনো চুক্তি নকৰিব, সংশোধন বা সাল-সলনি নকৰিব।

c. কোম্পানীৰ নোহোৱা কোনো বাণিজ্য, ব্যৱসায়, বা পেচাৰ প্ৰতিযোগিতা কৰিবলৈ এজেণ্ট, সেৱক বা কোনো প্ৰ'ডাক্ট/সামগ্ৰী বিক্ৰীৰ বাবে অনুজ্ঞাপত্ৰধাৰী হিচাপে নিয়োজিত নহ'ব বা প্ৰত্যক্ষ/পৰোক্ষ আগ্ৰহ নেদেখুৱাব।

**শব্দকোষ**

| | |
|---|---|
| **PV :** | পইণ্ট ভেল্যু, অৰ্জনৰ % লেভেল নিৰ্ধাৰণ কৰে। |
| **SP :** | নিজৰ বাবে ক্ৰয় |
| **PGPV :** | পাৰ্চোনেল গ্ৰুপ পইণ্ট ভেল্যু হ'ল আপোনাৰ সকলো গ্ৰুপৰ ব্যৱসায় আৰু ডাইৰেক্টৰ গ্ৰুপৰ ব্যৱসায় অন্তৰ্ভুক্ত নহয়। |
| **GPV :** | গ্ৰুপ পইণ্ট ভেল্যু হ'ল আপোনাৰ সমগ্ৰ গ্ৰুপটোৰ দ্বাৰা অৰ্জিত ব্যৱসায়। |
| **CPV :** | কিউমুলেটিভ পইণ্ট ভেল্যু হ'ল আপোনাৰ গ্ৰুপটোৰ দ্বাৰা ব্যৱসায়। |
| *পৰিয়াল : | ককা-আইতা /পিতৃ-মাতৃ/ নিজে |

VESTIGE™
wish you wellth


ভেষ্টিজ মাৰ্কেটিং প্ৰাইভেট লিমিটেড
A 89,  ওখলা ইণ্ডাষ্ট্ৰিয়েল এৰিয়া
ফেজ - II নতুন দিল্লী 110 020, ভাৰত
নিঃশুল্ক ফোন নম্বৰ 1800 102 3424
+91 11 4310 1234
info@myvestige.com
myvestige.com



April 2018
MRP ₹ 20.00 Incl.of all Taxes


IDSA
INDIAN DIRECT SELLING ASSOCIATION

8 906031 310335

/VestigeMkt /vestigemkt /vestige_official /c/VestigeMedia